চান্দমামা

নভেমবাৰ ১৯৯৭





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:
DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

‘ସଚିତ୍ର ବିଜୟା’ : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

କାଳିପୂଜା ବିଶେଷାଙ୍କ



ଏହି ସଂଖ୍ୟାରୁ ଗ୍ରାହକ ହୁଅନ୍ତୁ ସ୍ୱତନ୍ତ୍ର ରିହାତି ପାଆନ୍ତୁ

ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ: ଶିକ୍ଷାର ସୋପାନରେ ସିଦ୍ଧ ଶିକ୍ଷକ, ସାଂସ୍କୃତିକୀ : ରାଧା ପ୍ରେମ ଲୀଳା, ଅନୁଚିନ୍ତା: ଦାସିଆ ଅଜାଙ୍କ ଅଧୁରା ଆତ୍ମଲିପି, ଜୀବନ ଦର୍ପଣ: ପୁଚିଲୋ ପୁଚି, ଯାଆ ତୁ ଘୁଞ୍ଚି, ବିଚିତ୍ର ଓଡ଼ିଶା: ଆଦିବାସୀଙ୍କ କୁକୁଡା ଲଢ଼େଇ ପର୍ବ, ଏକାନ୍ତ ପଲ୍ଲି: ପାରଳାଖେମୁଣ୍ଡିର ଶିଙ୍ଗ ଶିଳ୍ପ, କବି ଓ କବିତା: ରଜନୀକାନ୍ତ ଦାସ, ରମ୍ୟ ରଚନା: କ୍ୱଚିତ୍ ଖଲ୍ୱାଟ୍, ‘ସ୍ୱପ୍ନ ଜଗତ’ର ଚତୁର୍ଥ ଭାଗ ଓ ତିନୋଟି ସୁଖପାଠ୍ୟ ଗଳ୍ପ ସହିତ ରଙ୍ଗୀନ୍ ଦ୍ୱିପତ୍ରର ବର୍ଣ୍ଣାଳୀ ।

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ନଭେମ୍ବର ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ ‘ଜହ୍ନମାମୁଁ’ ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

চান্দমামা

নভেমবাৰ : ১৯৯৭

6-11-1997

এই সংখ্যাত আছে

সুৱৰ্ণ ঘটনা	...৭	মহাসৰ্পপুৰীকথা	...৩৭
মাজুলীৰ নাম হংকং	...৯	বৃটিছ-বিৰোধী যুঁজাৰু	...৪১
লোকান্তৰৰ সমাজ	...১০	মহাভাৰত	...৪৫
যি সাহনৰ ক্ষয় নাই	...১৫	বাতৰিৰ সাতেসৰী	...৫২
সম্রাট অশোক	...১৭	চান্দমামা-কোলাৰ-কাকত	...৫৩
আপটৰ পট	...২৫	প্ৰথম স্বাধীনতাৰ সংগ্ৰাম	...৫৬
সাগৰৰ পাৰে পাৰে	...৩৩	থাকিলেও শূইন-দেখিলেও পুইণ	...৬২

আৰু

ফটো-নামকৰণ প্ৰতিযোগিতা : ৬৬

চান্দমামা

প্ৰতিভাষা - প্ৰতিখন

৬.০০ টকা

বছৰেকীয়া বৰঙণিৰ ধন

৭২.০০ টকা মাথোন



Rs. 30/-



Rs. 40/-



Rs. 30/-



Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

POLIO, QUIT INDIA!

Protect your child and the nation!
Participate in the mass
polio vaccination!

PULSE POLIO IMMUNIZATION
DECEMBER 7, 1997
JANUARY 18, 1998

December 7, 1997
January 18, 1998

CALLING PARENTS!

Even if

- the child is indisposed or has diarrhoea
- the child had been given polio drops earlier

TO ENSURE CENT PER CENT PROTECTION

Remember to

Take your children (under 5) to the nearest immunisation booth / centre to receive

TWO ADDITIONAL DROPS OF THE ORAL POLIO VACCINE on National Immunisation Days

Be a part of
the global
Polio Eradication
Campaign

PolioPlus

You don't just have to protect, but help eradicate POLIO

চান্দমামা

সংস্থাপক : চক্রপাণি ✵ সঞ্চালক : নাগিৰেড্ডি

কাক-তালীয় সুৱৰ্ণ-ঘটনা

আগৰ সংখ্যাত অসংখ্য সাধাৰণ ভাৰতীয় মানুহৰ বৃটিছ-ঔপনিবেশিক অধিকাৰৰ বিৰুদ্ধে বিদ্ৰোহৰ কথা কোৱা হৈছে। তেওঁলোকে—অৰ্থাৎ ভাৰতৰ জনগণে ভাৰতবৰ্ষক কেৱল মানুহ-পশু-পক্ষী-বৃক্ষ-মৃত্তিকা-সমন্বিত ভূমিখণ্ড ৰূপেই গণ্য কৰা নাছিল, ভাৰতবৰ্ষ আছিল তেওঁলোকৰ মাতৃস্বৰূপা। আৰু সেইহে—বৈদেশিক লুটিয়াৰহঁতৰ কবলৰপৰা অপমানিতা মাতৃক উদ্ধাৰ কৰাটো আছিল তেওঁলোকৰ পৰমপৱিত্ৰ কৰ্তব্য। আমাৰ ভাৰতৰ দেশপ্ৰেমিক সকলৰ প্ৰায় সকলোটিয়েই ভাৰতবৰ্ষক মাত্ৰ ভূমিখণ্ডৰূপে গণ্য নকৰি যে মাতৃৰূপে গণ্য কৰিছিল, তাৰ অন্যতম প্ৰকৃষ্ট উদাহৰণ হ'ল শ্ৰীঅৰবিন্দ (১৮৭২-১৯৫০)। শ্ৰীঅৰবিন্দই এখন ব্যক্তিগত পত্ৰত লিখিছিল : আমাৰ ভাৰতমাতা ভূমিমাত্ৰ নহয়, ভাৰতমাতা হ'ল শক্তিৰূপিণী দেৱী...।" এই পত্ৰ বৃটিছ শাসন-কৰ্তৃপক্ষই প্ৰকাশ কৰিছিল।

আপোনালোকে নিশ্চয় জানে যে—শ্ৰীঅৰবিন্দ আছিল ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ বাবে দাবী উত্থাপনকাৰী প্ৰথম ভাৰতীয়। আৰু—কাকতলীয় ঘটনা হ'ল এয়ে যে—শ্ৰীঅৰবিন্দৰ জন্মদিন ১৫ অগাস্টৰ দিনাহে ভাৰতে স্বাধীনতা লাভ কৰিলে। এই বছৰত ভাৰতে তথা সমগ্ৰ বিশ্বয়েই শ্ৰীঅৰবিন্দৰ ১২৫তম জন্মদিৱস আমাৰ স্বাধীনতাৰ ৫০ বছৰীয়া সুৱৰ্ণ-জয়ন্তীৰে সৈতে একেলগে-একযোগে পালন কৰিলে।

শ্ৰীঅৰবিন্দ আছিল আমাৰ এই যুগৰ এগৰাকী মহান দূৰদ্ৰষ্টা, যিগৰাকী দূৰদ্ৰষ্টা-দাৰ্শনিকে এই কথা মনে-চিতে বিশ্বাস কৰিছিল যে—আমি যদি সমষ্টিগতভাৱে আগবাঢ়োঁ, আমি সুন্দৰৰ ন-দিগন্ত নিশ্চয় পামগৈ, আমি এক দেৱোপম জাতিৰূপে পৰিগণিত হ'ম।

আহক, তেওঁক সুঁৱৰি আমি আগুৱাই যাওঁ।

বছৰ : ২২ নৱেমবাৰ ১৯৯৭ সংখ্যা : ৮

খনে : ৬.০০ টকা ✵ বছৰি : ৭২.০০ টকা




सुन्दराता जो परंपरा लिये है !
मेरि
विश्वास में दृढ़ता !
गोल्ड कवरिंग ज्वल्स
निजी सजावट केलिये बनाये गये बहुत बढ़िया कारीगरी व बनावट (डिज़ाइन) -- दोनों में एकदम बेजोड । मेरी पिछले ३५ वर्षों में गोल्ड कवरिंग गहनों के निर्माण में लगी मशहूर संस्था है । नीचे दिये गये कुछ नमूने के गहने, वी.पी.पी. द्वारा खरीदे जा सकते हैं । गहनों के कोड नंबर लिखें और अपनी आवश्यकतानुसार उन्हें मंगा लें । वी.पी.पी. का शुल्क नहीं । १५० पृष्ठोंवाली रंगीन कैटलॉग भी । आप मुफ़त मंगा सकते हैं ।
B1281 Rs.181
B1278 Rs.205
B1301 Rs. 66/-
B1472 Rs. 125/-
C2166 Rs. 63/-
A82 Rs. 50/-
B1308 Rs. 49/-
A207 Rs. 100/-
C2029 Rs. 85/-
B1966 Rs. 68/-
A129 Rs. 50/-
A156 Rs. 50/-
B1358 Rs. 87/-
A45 Rs. 50/-
B1429 Rs. 230/-
C2303 Rs.54
B1406 Rs. 72/-
A151 Rs. 50
A144 Rs. 50
A21 Rs.50
A453 Rs.175 1 4 Gram
B1410 Rs.153
B1520 Rs. 86/-
B1460 Rs. 245/-
C2314 Rs.54
C2188 Rs.58
A990 Rs.493 1/2 Gram
A425 Rs. 100/-
A709 Rs. 175/-
A725 Rs. 175/-
A412 Rs. 100/-
B1342 Rs. 79/-
A314 Rs. 100/-
B1336 Rs. 87/-
C2836 Rs. 63/-
B1977 Rs.51
A61 Rs. 50/-
A186 Rs. 50/-
B1340 Rs. 71/-
B1421 Rs. 72/-
B1350 Rs. 48/-
C2161 Rs.54
MERI GOLD COVERING WORKS
Post Box : 1405, 18, Ranganathan Street, T. Nagar,
Chennai 600 017. Phone : 4344671, 4342513
MGC/54/97

পৃথিৱীৰ খিৰিকীৰে

মাজুলীৰ নাম হংকং

পঞ্চাছ বছৰৰ আগেয়ে ইংৰাজে ভাৰত এৰিলে, আৰু মাত্ৰ পাঁচমাহৰ আগতে হংকঙৰপৰা মেলানি মাগিলে, আৰু এই মেলানিৰ লগে লগেই তাহানিৰ চীনদেশৰ সৈতে বৃটিছৰ ৯৯ বছৰীয়া চুক্তিৰো অন্ত পৰিল, আৰু প্ৰকৃততে হংকং যাৰ—তাৰে সৈতে—অৰ্থাৎ মূল চীনদেশৰে সৈতে মিলিল। যোৱা জুন মাহৰ ৩০ তাৰিখৰ দিনা চীন-বৃটেইনৰ বাম-ভাৱনাৰ আঁৰপট পৰিল।

চীনদেশৰ দক্ষিণসীমাত মুঠমাঠ ২০০ মান দ্বীপৰ মাজৰ অন্যতম দ্বীপ হ'ল এই হংকং। তাহানিত বৃটেইনৰ সৈতে চীনদেশৰ যি আফিং-যুদ্ধ হৈছিল, সেই যুদ্ধত চীনদেশ পৰাজিত হোৱাত বৃটিছে হংকং অধিকাৰ কৰি লৈছিল। একুৰি বছৰৰ পাছত পুনৰ এই কানি-যুঁজ হৈছিল, আৰু তেতিয়া, ১৮৬০ চনত বৃটিছে চীনদেশৰ কাউলুন নামৰ ঠাই এডোখৰো অধিকাৰ কৰিছিল। ১৮৯৮ চনত চীনদেশে কাউলুনৰ সৈতে হংকঙকো লগ লগাই বৃটিছক ৯৯ বছৰৰ বাবে পট্টা কৰি দিছিল।

তাৰ পাছত—১৯২৪ চনত পাৰস্পৰিক আলোচনাক্ৰমে স্থিৰ কৰা হৈছিল যে—পট্টাৰ মিয়াদৰ অন্তত বৃটিছে কাউলুন আৰু হংকং চীনদেশক প্ৰত্যৰ্পণ কৰিব আৰু এই প্ৰত্যৰ্পণৰ দিনটো হ'ব — ১৯৯৭ চনৰ ৩০ জুন।

হংকং মাজুলীৰ ওপৰত বৃটিছে মুঠমাঠ এশ বছৰ ধৰি আধিপত্য চলাইছিল। হংকং হৈ উঠিছিল এক অভূতপূৰ্ব বাণিজ্যিক বন্দৰ-নগৰ। মুম্বই আৰু ছিংগাপুৰৰ দৰে হংকঙৰো স্বাভাৱিক সামুদ্ৰিক পোতাশ্ৰয় আছে। দ্বিতীয় বিশ্বযুদ্ধৰ কালত হংকঙৰ আকাশলঙ্ঘা উন্নতি থমকি ৰৈছিল, যদিও বিশ্বযুদ্ধৰ অন্তত পুনৰ দোপে দোপে দৃঢ় অৰ্থনৈতিক জখলা বগাই হংকঙে উন্নতিৰ এক চূড়ান্ত সীমা পাইছিলগৈ।

আৰু বিশ্বৰ সকলো দেশৰেপৰাই হাজাৰ-বিজাৰ কৰ্মপ্ৰাৰ্থীয়ে হংকঙতে হুলদিল লগাইছিলহি। আৰু এইদৰেই ক্ৰমাগত, এদিনৰ কৰ্মপ্ৰাৰ্থীসকল হৈ পৰিছিল হংকঙৰে থলুৱা—হংকঙীয়া।

এশতিকাৰ বৃটিছ-শাসনৰ তথা ইংৰাজ-ভাৱধাৰাৰে চলি থকাৰ অন্তত—হংকঙৰ অৱস্থা কি হ'ব—সেই কথাত এচাম মানুহে এখনকে দুখনকৈ লগাবৰ সমল পোৱা হৈছিল, এটাঁৰ গোঁফকে দুটাঁৰ কৰি দেখুৱাইছিল, পিছে—সকলো জল্পনা-কল্পনাৰ অৱসান কৰি এইচাম এঠাইত কাটিলে সাত ঠাইত গজাহঁতৰ গুমৰ ফাঁক কৰি — একেবাৰে আগৰদৰেই হংকং হংকঙতে থাকিল।

প্ৰত্যৰ্পণৰ আগে. আগে যি চৰ্তসমূহ স্থিৰ কৰা হৈছিল—সেই চৰ্তমূহক চীনদেশে যথাৱৎ মান্য কৰিব বুলি কথা দিছিল, আৰু তেওঁলোক তেওঁলোকৰ কথাত ৰ'ল। চীনদেশৰ আইনে হংকঙক অহা পঞ্চাছ বছৰলৈ স্পৰ্শও নকৰিব। হংকঙৰ অধিবাসীসকলৰ ব্যক্তিগত স্বাধীনতা বজায় থাকিব। হংকঙৰ নিজস্ব বিধান-সভা হ'ব, নিজস্ব-মুদ্ৰা-ব্যৱস্থাও থাকিব। যদিও—বৈদেশিক বিষয়ক তথা দেশৰ নিৰাপত্তা-বিষয়ক দায়িত্ব চীনদেশেই কঢ়িয়াব।

জুন মাহৰ ৩০-ৰ নিশা বৃটিছে হংকঙত জুইবাজী খেলিছিল।

আৰু পাছদিনা চীনদেশে হংকং মাজুলীৰ আকাশলৈ দহ হেজাৰ শান্তিৰ কপৌ উৰাই তেওঁলোকৰ পৰম পৰিতৃপ্ত নিৰমল অন্তৰৰ হৰ্ষ প্ৰকাশ কৰিছিল।



লোকান্তৰৰ সমাজ

সুপ্ৰাচীন কৌশল্যাৰাজ্যৰ কমলপুৰ গাঁৱত কনকদাস নামৰ এজন হালোৱা আছিল। হালোৱা কনকদাস মানুহজন আছিল কিঞ্চিত হোল-গোঁজবিধৰ, যদিও পৰিষ্কাৰ অন্তৰৰ। তাৰ দুই হালিচামান খেতি-মাটিৰ ওপজেৰেই সি পা-পৰিয়ালে পেট প্ৰৱৰ্তাইছিল। বিশেষ কিবা চাহিদা নথকাত সি একপ্ৰকাৰে সুখেৰেই জীৱনৰ উম পোৱা হৈছিল।

এদিন কমলপুৰত কমলপুৰৰ জমিদাৰক তথা কমলপুৰীয়া ৰাইজকো তেওঁৰ কবিতা শুনাবলৈ বিষ্ণুশৰ্মা নামৰ কবি এগৰাকী আহিল। বিষ্ণুশৰ্মাৰ কবিতা ইমানেই সহজ সৰল আছিল যে একেবাৰে অবুজনক বুজাবলৈকো ঢেকুৱা লাই সিজাবলগীয়া নহৈছিল। কমলপুৰীয়া ৰাইজেও বিষ্ণুশৰ্মাৰ কবিতাৰ শলাগ ল'লে, আৰু যেৱে যি পৰিলে বিষ্ণুশৰ্মালৈ উপহাৰ-পুৰস্কাৰো আগবঢ়ালে। গাঁৱৰ জমিদাৰ জয়বল্লভ ডাঙৰীয়ায়ো কবি বিষ্ণু শৰ্মাক ধন-সোণেৰে আপ্যায়িত কৰিলে।

এই ঘটনাত কনকদাস হালোৱাৰ যেনিবা কিঞ্চিত হজ লৱিল। হঠাৎ হজ-লৰা হোলাৰ ভাই মোলা কনকদাসৰ কবিতা লিখিবলৈ মন গ'ল। দুই-চাৰি কবিতা লিখি উলিয়াব পাৰিলেই যদি ধন-মান পোৱা যায়—আৰু নো বাৰু কি লাগে?

ৰাতিৰ পচৰতে চকুৰ পিৰঠি জাপ নোখোৱা কনকদাসে যেতিয়া এইবোৰ-এনেবোৰ কথা পাগুলি আছিল, তেতিয়া তাৰ ঘৈণীয়েক কৌপাতীয়ে নাকৰ ঘোৰ্ঘোৰণিৰে ঘৰৰ চাল কঁপাই টোপনিত লাল-কাল দিছিল।

কনকদাসে কলম এডাল হাতত ল'লে আৰু যেনেতেনে কবিতা এটা লিখিবলৈ আসনভিৰিকৈ বহি দিলে। কিন্তু—কিন্তু কি যে লিখিব — তাৰ বিষয়বস্তুহে বহু ভাবি ভাবিও

জগৎ দুৱৰা

একোপধ্যে ভাবি উলিয়াব নোৱাৰিলে।

তাৰ পাছত—যেতিয়া কলমডাল পুনৰ থৈ, বিছনাত দীঘল হৈ পৰিবলৈ মন মেলিলে, ঠিক তেতিয়াই হঠাৎ সি বাস্তৱিকতে কবিতা লিখিবলৈ ধৰিলে। তাৰ এই প্ৰথম কবিতাৰ বিষয়বস্তু আছিল তাৰ ঘৈণীয়েক কৌপাতীৰ নাকৰ ঘোৰ্ঘোৰণি!

কবিতাটো লিখি, ঘূৰাই-ফিৰাই ওপৰমুৱা-তলমুৱাকৈ বাৰে বাৰে চাই, গাঁৰুৰ তলত-গুঁজি-থৈ, চিৎ হৈ শুই, মাৰলি গণি গণি, সুখৰ সপোন আঁকি আঁকি এসময়ত টোপনিত লাল-কাল দিলে, আৰু সঁচাসঁচিকৈ সপোনত দেখিলে যে তাৰ কবিতা শুনি দহোখন গাঁৱৰ ৰাইজে দহোমুখে তাৰ শলাগ লৈছে, আৰু তাক ধনে-ধানে ভঁৰাল ভৰাই আদৰিছে।

বাতিপুৱা সাৰ পাই সপোনৰ কথা সুঁৱৰি কনকদাসৰ তপিনাত গোৰ লগাই নাচিবৰ মন গ'ল। কি কৰিব-কি নকৰিব ভাবি উলিয়াব নোৱাৰি কবিতাটো কাষলতিৰ তলত লৈ পোনে পোনেই কনকদাস চুবুৰীয়া মগনমহন্তৰ কাষ চাপিল আৰু ক'লে, "মগন, মই এটা পদ্য ৰচিলোঁ। তোমাক শুনাম বুলি আহিলোঁ।'

কনকৰ পদ্য শুনি পিয়াহ-কঁটীয়া পৰা মগনে খঙেৰে ঘেং কৰি উঠিল, "একে জালুকৰ জলা, তাতে পিপলীৰ পথ! একেই তোৰ ঘোচামৰ জৰীৰ নাকৰ ঘোৰ্ঘোৰণিৰ অসভ্য আৱাৰে আমাক টোপনি মাৰিবলৈ নিদিয়ে, তাতে আক' সেই ঘোৰ্ঘোৰণিৰহেনে অখাদ্য-অদাত্য পদ্য! আক' যদি কেতিয়াবা এইদৰে পদ্যেৰে জলা-কলা কৰিবলৈ আহিছ, তোক পানীত হাঁহ-নচৰা কৰিহে এৰিম বুইছ—? এতিয়া ভালে ভালে গুচ।"

হতমান হৈ উভতি যাওঁতে কনকে ভাবি থাকিল : মোৰ কবিতাৰ মোল বুজাৰ বুদ্ধি মগনত নাই হ'ব পায়। বাৰু, বুজ-বিবেচনা থকা গাঁৱৰে অধ্যাপক নৰেশশৰ্মাদেউক পঢ়ি শুনাওঁ যদি—কেনে হয়? ভাবিল কনকে। আৰু—আৰু ভবামতেই অধ্যাপকৰ কাণো ঘোলা কৰিলেগৈ।

পদ্য শুনি অধ্যাপকে মুচুক্‌কৈ হাঁহি মাৰিলে আৰু কনকক ক'লে, "বিষ্ণুশৰ্মাৰ পদ্য তেও বুজি পাওঁ, কিয়নো তেওঁ অতি সাধাৰণ পদ্য লিখে। কিন্তু তোমাৰ এই পদ্য অসাধাৰণ। তোমাৰ পদ্যৰ মোল—কেৱল প্ৰকৃত পণ্ডিত



লোকেহে বুজিব । তুমি আমাৰ জমিদাৰ ডাঙৰীয়াৰ ওচৰলৈ যোৱা ।”

জমিদাৰ ডাঙৰীয়াই কনকদাসৰ পদ্য শুনি অবাক মানি উশাহ-টানি ভেবা লাগি ক’লে, “কনক, জীৱনত এতাৱৎ এনুৱা পদ্য—মই নাই শুনা । তোমাৰ প্ৰকৃত মান ধৰিবলৈ হ’লে লাগে সোণৰ মোনা । যদিও সেই শকতি মোৰদৰে নিঃকিনৰ নাই, তথাপি যি দিছোঁ—লোৱা, আমাৰ মৰমৰ হালোৱা কবি-ভাই ।” এই বুলি লৈ, জমিদাৰ জয়বল্লভে কনকক এশটি ৰূপ পুৰস্কাৰ হিচাপে দিলে ।

আৰু তাৰ পাছত — হাতৰ তলুৱাত নোমগজা হাতী-কপলীয়া হালোৱা-কবি কনক — এদিন আৰ-তাৰ পা-পৰামৰ্শমতে কৌশল্যদেশৰ ৰজাকো তাৰ পদ্য শুনাবলৈ গৈ গৈ পোনে পোনে ৰাজধানী পালেগৈ ।

ৰাজসভাৰ দুৱৰীয়ে মহাৰাজক ক’লেগৈ, “মহাৰাজ, কনকদাস নামৰ হালোৱা এজনে তাৰ নিজে-ৰচা পদ্য আপোনাক শুনাবলৈ আপোনাৰ দৰ্শন প্ৰাৰ্থনা কৰিছে ।”

মহাৰাজ কম্বিকণ্ঠ আছিল অতি কলাপ্ৰিয় ৰজা । দুৱৰীৰ কথা শুনি তেওঁ ৰঙতে একোনাই হৈ ভাবিলে : হয়নে—? মোৰ ৰাজত্বত—হৰিণায়ো বাঘৰ গাল চেলেকেনে ? জালোৱা-হালোৱায়ো এতিয়া পদ্য ৰচেনে ? এয়া দেখোন জগতত এক অভাৱিত কথা ।

আৰু মহাৰাজৰ আহ্বানত হালোৱা-কবি কনকদাসে পৰিপূৰ্ণ ৰাজসভাত থিয় হৈ—সি ৰচা বিভিন্ন পদ্য পাঠ কৰিবলৈ ধৰিলে । তাৰ ৰচা পদ্যবিলাকৰ এক অভিনৱ বিশেষত্ব আছিল । তাৰ পদ্যবিলাকৰ মাজত আছিল—ম’হৰ বিষয়ত পদ্য, গাঁৱৰ কুকুৰ আৰু কুকুৰাৰ পদ্য, খেতি-বাতি বিষয়ক পদ্য—আৰু লগতে তাৰ ঘৈণীয়েকৰ নাকৰ ঘোৰ্ঘোৰণিৰ বিখ্যাত পদ্যটো তো আছেই ।

এইবোৰ শুনি, খঙতে ৰঙা পৰি, মহাৰাজে হালোৱা-কবি কনকক কক্কাই কৈ উঠিল, “বোলোঁ মূৰ্খালীৰো এটা সীমা থাকিব নালাগেনে ? এনেবোৰ জাবৰ-জোথৰ খালত নেপেলাই ৰাজসভাত পেলাবলৈহে তোমাৰ মতি হ’লনে ?” তাৰ পাছত মহাৰাজে কনকক ফাটকত আটক কৰি থ’বলৈ প্ৰহৰীহঁতক আদেশ কৰিলে ।

ফাটকত আটক কৰাৰ অন্তত মহাৰাজে কনকদাস হালোৱাৰ বিষয়ে খা-খবৰ ল’বলৈ

ৰাজকৰ্মচাৰী এগৰাকীক কমলপুৰলৈ পঠালে। গৈ গৈ—সা-সন্ধান কৰি কৰি—জমিদাৰ জয়বল্লভ ডাঙৰীয়াক লগ পাই কনকদাসক কেনেকৈ কবিতাৰ কলিয়ে পালে—সেইবোৰ সা-সম্বাদ গোটাই-পিটাই মহাৰাজক দিলেগৈ।

সকলো কথা শুনাৰ অন্তত বুদ্ধিমন্ত কম্বিকণ্ঠ মহাৰাজে উপলব্ধি কৰিলে যে—কনকদাস আচলতে কোনো দগাবাজ-ভুৱাবাজ ছলাহী-বঞ্চক নহয় — যহ-খ্যাতিৰ কিঞ্চিত আকাংক্ষা থকা সহজ সৰল মানুহ। তেওঁ কনকদাসক মুক্তি দিলে, আৰু লগতে কিঞ্চিত ধনো দিলে।

কনকদাস পোনে পোনেই গাঁৱলৈ উভতি আহিল। উভতি অহৰ সাদিনমানৰ অন্তত এজন অচিনাকি মানুহে কনকক ক'লেহি, "আমাৰ নমস্য মহা কবিলৈ বিনম্ৰ নমস্কাৰ।"

কনকদাসে কৈ উঠিল, "ম্-মই-মহাকবি ? কোনেনো বলকে এনেবোৰ বেবেৰিবাং ? ফাটকৰাপৰা ওলায়েই শপত খালোঁ যে—জীৱনত আন যিহকে কৰোঁ-নকৰোঁ—পদ্যৰ পদাপালত নপৰোঁ, পদ্য ৰচনত নধৰোঁ, ভুলে-পাহৰণেও পদ্য ৰচি নমৰোঁ।"

অচিনাকি মানুহজনে মিচিকীয়াই হাঁহিলে আৰু ক'লে, "মোৰ নাম নিশাচৰণ। মই হ'লোঁ ভূত-পিশাচ-সিদ্ধ তান্ত্ৰিক। মই কৌশল্যৰজাৰ সভাত আপোনাৰ কবিতা শুনিছিলোঁ। এইবোৰ কবিতাৰে যদি ধন আজিৰ্বৰ মন আছে কওক, মই আপোনাক চিধাৰো চিধা অপায়-নথকা উপায় দিম।"

কনকদাসে ক'লে, "ৰজাৰপৰা ধন-সোণ পোৱাৰ আশাৰে ৰাজধানীলৈ গৈ চিধ্‌ধাই বগাঘৰ পাইছিলোঁগৈ। মই এইবোৰত আৰু দুনাই নোসোমাওঁ।"

নিশাচৰণে ক'লে, "আৰু মাত্ৰ এটি বাৰলৈ এজনক বিশ্বাস কৰক, ব'লক মোৰ লগত। পাব ধন পাব সোণ মোণে-মোণ।"

এইবাৰো হালোৱাৰ হজ লৰিল। সি সেই অচিনাকি মানুহজনৰ সৈতে গৈ গৈ এক নিৰল-নিৰ্জন মৰিশালি পালেগৈ।

আৰু তাত, সেই নিমাওমাও মৰিশালিত, তান্ত্ৰিক নিশাচৰণৰ নিৰ্দেশমতে, কনক কবিয়ে চকু মুদি, অতি স্পষ্ট কণ্ঠেৰে তাৰ পদ্যবোৰ আওৰাই থাকিল।

যেতিয়া তাৰ বিখ্যাত ঘোৰ্ঘোৰণিৰ পদ্যটো

আওৱোৰা সমাপ্ত হ'ল, তেতিয়া সি চকু মেলি চালে। আৰু চায়েই—লগে লগে কনকদাসে উচপ খাই উঠি চিঞৰি দিলে। কিয়নো—তাৰ তিনিওফালে ভূত-পিশাচবোৰ বহি আছিল।

এটা ভূতে মুহূৰ্তত উঠি গৈ বিৰাট ফুলমালা এধাৰ ক'ৰবাপৰা আনি হালোৱা-কবি কনকৰ ডিঙিত পিন্ধাই দিলে আৰু আন এটা পিশাচে বিৰাট এমোনা সোণ কনকৰ ভৰিৰ ওচৰত থৈ দিলে।

এইবোৰ চাই-চিতি কনকদাসৰ মনৰ ভয়-ভীতি নোহোৱা হ'ল, আৰু সি পুনৰ তাৰ পদ্যবোৰ জোৰে জোৰে আওৱাবলৈ ধৰিলে।

বিশেষকৈ ঘোৰ্ঘোৰণিৰ পদ্যটো শুনি ভূত-পিশাচহঁতে ইমানেই মজা পালে যে—সেই পদ্যটো সি দহবাৰমান আওৰাবলগীয়া হ'ল। ভূত-পিশাচহঁতে সিহঁতৰ মগুহ নথকা হাতেৰে চাপৰি হালোৱা-কবিলৈ সন্মান জনালে।

তাৰ পাছত কনকদাসে সোণৰ মোনাৰে সৈতে যেতিয়া ঘৰমুৱা হ'ল, তেতিয়া নিশাচৰণ তান্ত্ৰিকে কনকক ক'লে, "এই সোণৰ ভাগ ময়ো নাপামিনে ?"

"নিশ্চয়—নিশ্চয়।"

এই বুলি কৈ, কনকে সোণৰ মোনাটো খুলি, তাৰপৰা আধাখিনি সোণ তান্ত্ৰিক নিশাচৰণক দিলে আৰু সুধিলে, "মোৰ পদ্যবোৰ ভূত-পিশাচবোৰে ইমান ভাল পাব—কেনেকৈনো তুমি ঠাৱৰ কৰিব পাৰিছিলা ?"

নিশাচৰণে ক'লে, "মই যদিও ভূত নহওঁ, জীয়া মানুহ, তথাপি—পেট-কপটীয়া মানুহৰ মনৰ খবৰ বৰ নাজানো। কিন্তু—সহজ মনৰ ভূত-পিশাচহঁতৰ মনৰ খবৰ জানো, আৰু সিহঁতৰ ভাব-ভাষাও বুজি-পাওঁ। সেইহে মই তোমাকে এই ভূত-সমাজলৈ লৈ আছিলোঁ।"

"তাৰ মানে মানুহতকৈ ভূত ভাল ?"

কনকৰ প্ৰশ্নৰ উত্তৰত নিশাচৰণে ক'লে, "ভাল বা অভালৰ কথা বৰ ক'ব নোৱাৰিমে, পিছে—ভূত-পিশাচহঁতে মানুহৰ দৰে ভাঁৱৰী-পকীয়া যে নয়, ভায়া-জিনা যে নকৰে-সেই কথা দঢ়ায়েই ক'ব পাৰোঁ। মানুহে ভাবে যে—কেৱল মানুহৰহে এখন সমাজ আছে, কিন্তু লোকান্তৰৰ সমাজ এখনো নথকা নহয় যে—দেখিলাই।" হালোৱা-কবি কনকদাসে লোকান্তৰৰ সমাজখনলৈ শ্ৰদ্ধাৰেই প্ৰণমিলে।

যি সাহনৰ ক্ষয় নাই

ৰঙিলীক ৰমেনে ভাল পায়েই বিয়া কৰাইছিল, আৰু প্ৰকৃততেই পাইছিলো ভাল; কিন্তু মাকৰ লগত ৰাম-ভাৰনা পাতি সেইজনী ৰঙিলীয়ে তাক যেনেকৈ ৰা-বাঁহৰ চেপাত পেলালে— তাৰে সেই ভালপোৱা হৈ উঠিল তাৰ কাল।

ৰঙিলী আছিল লিখা-পঢ়া জনাজনী, আৰু একেবাৰেই অনাখৰী হৈ আছিল মাক ৰুক্মিণী। আৰু ঘাইকৈ এই কাৰণেই শাহুৱেক-বোৱাৱীয়েকৰ মনৰ অমিল। শাহুৱেকে ভাবিছিল যে পঢ়া-লিখা জনা বাবেহে বোৱাৱীৰ ইমান অহংকাৰ, আৰু বোৱাৱীয়ে ভাবিছিল যে—পঢ়া-লিখাৰ মোল নুবুজা আখৰ নজনা শাহুৱেকৰ অন্তৰখনো অন্ধকাৰ।

আৰু এইদৰেই ৰমেন সোমাই পৰিছিল ৰা-বাঁহৰ চেপাত। আৰু—দিনৰ পাছত দিন ধৰি ভাবি ভাবি—ৰমেনে বুধি এটা পাঙিলে।

এদিন ৰমেনেৰ মাক ৰুক্মিণীয়ে এখন চিঠি পালে। চিঠিখন তেওঁৰ দূৰ-সম্পৰ্কীয় আত্মীয় এজনে লিখা। তেওঁ মৃত্যুৰ আগে আগে চিঠিখন লিখি গৈছিল। চিঠিখনত লিখা আছিল যে—তেওঁৰ লাখ-টকীয়া সম্পত্তি ৰুক্মিণীয়ে পাব—কিন্তু এটা চৰ্তত। চৰ্ত হ'ল যে — ৰুক্মিণীয়ে পঢ়া-লিখা জনা হ'ব লাগিব, আৰু এই সম্পত্তিদানৰ বিবৰণ নিজেই পঢ়িব পৰা হ'ব লাগিব, তেহে এই সম্পত্তিৰ অধিকাৰিণী হ'ব।

লাখটকাৰ সম্পত্তি! কিন্তু—কিন্তু ৰুক্মিণী যে একেবাৰে অনাখৰী! কি হ'ব? লাখটকীয়া সাহন-পায়ো নোপোৱা হ'বনে?

ৰমেনে তেওঁৰ মাকক ক'লে, "মা, আমি ধনৰ দুখীয়া বা মনৰ দুখীয়া বা খোৱাৰ দুখীয়া —খলতি-ধোৱা নহওঁ। তথাপি—সামান্য কাৰণত লাখটকীয়া সম্পত্তিও হেৰুৱাব নোৱাৰি, ঘৰলৈ উপযাচি অহা লখিমীক অগ্ৰাহ্য কৰিব নোৱাৰি। যদি মোৰ কথা শুনা—

আশালতা দেউৰী

আজিৰেপৰাই পঢ়া-লিখাত মনপুতি ধৰা।"

"এই বয়সত!"

"পঢ়া-লিখাৰ কোনো বয়স নাই। মানুহে তোমাৰ সাহসৰ শলাগহে ল'ব। মোৰ কথা শুনা, পঢ়া-লিখা শিকিবলৈ ক'লৈকো যাবও নালাগিব, ৰঙিলীয়েই তোমাক শিকাব।"

পুতেকৰ কথাত মাকে 'নহয়-নহ'ব' বুলি ক'ব নোৱাৰিলে, ৰঙিলীজনীয়েও গিৰিয়েকৰ কথা ৰঙেৰেই মানি ল'লে। যা হওক-যি হওক—শাহুৱেকে পোৱা সাহন—তেওঁ লগত লৈ নাযাব নহয়?

ৰমেনে কিতাপ-পত্ৰ কিনি লৈ আহিল। ঘৰুৱা কাম-বন বোৱাৰীয়েকে—শাহুৱেকে মিলি সামৰি-সুতৰি আজৰি উলিয়াই পঢ়া-লিখাৰ চৰ্চা কৰি থাকিল। দুসপ্তাহ্ মানৰ অন্তত ৰুক্মিণীয়ে পঢ়া-লিখা শিকাৰ আনন্দ উপলব্ধি কৰিব পৰা হ'ল। আৰু — তিনি মাহমানৰ মূৰকত তেওঁ আখৰ জোঁটাই কিছুমান শব্দ লিখিব পৰা হ'ল।

আগৰ দন্দ-বান্দৰ ঠাইত এতিয়া বন্ধুত্বৰ বান্ধে অন্তৰত বাহ ল'লে আৰু দুয়োজনীয়েই আগৰ ভুলৰ কথা নিজে-নিজেই উপলব্ধি কৰি লাজ পালে, নিজক শুধৰাই ল'লে। আৰু কিছুদিনৰ অন্তত এদিন মাকে পুতেকক সেই সম্পত্তিৰ দলিলখন আনিবলৈ ক'লে।

ৰমেনে তেওঁৰ মাকক আৰু ঘৈণীয়েককো ক'লে, "মই এতিয়া যি কথা ক'ম — তোমালোকে মনপুতি শুনিবা। —পৰিস্থিতি অনুকূল হ'লে যেইকোনো বয়সতে পঢ়া লিখাত ধৰিব পাৰি, পঢ়া-লিখাৰ সৈতে বয়সৰ সা-সম্পৰ্ক স্থিৰ কৰিব নোৱাৰি। মা, তোমাক কেৱল আখৰজ্ঞান সম্পন্ন কৰাটোৱেই মোৰ একমাত্ৰ উদ্দেশ্য নাছিল, তোমাৰ বোৱাৰীৰ প্ৰতি তোমাৰ দৃষ্টিক আৰু ৰঙিলীজনীৰো দৃষ্টিক পৰিচ্ছন্ন কৰাৰ উদ্দেশ্য অন্তৰত লৈয়েই মই এই কাম কৰিছিলোঁ, লাখ-টকীয়া সাহন যদিও ভুৱা, পঢ়ন-লিখন কিন্তু ভুৱা নহয়। পঢ়ন-লিখনৰ এই সাহন অমূল্য সাহন—যি-সাহনৰ ক্ষয় নাই। লাখটকীয়া সাহন এদিন নোহোৱা হ'ব, কিন্তু পঢ়ন-লিখনৰ সাহন কাহানিও নোহোৱা নহ'ব।"

মাকে পুতেকক বুকুত সাৰটি ল'লে, আৰু ৰঙিলীয়ে অনাখৰীক আখৰৰ জ্ঞান দিবলৈ গিৰিয়েক ৰমেনৰ ভৰি ছুই শপত খালে।





সম্ৰাট অশোক

[আগৰ কথা: পিতৃৰ ইচ্ছানুসাৰ অশোক উজ্জয়িনীলৈ গৈছিল। উজ্জয়িনীলৈ গৈ থাকোঁতে বাটত বিদিশা নামৰ সমৃদ্ধ গাঁও এখনত ৰাতিছোৱা খপিবৰ বাবে তম্বু তৰা হ'ল। ধলপুৱাতে সাৰ পাই প্ৰাকৃতিক আনন্দ উপভোগৰ বাবে যুৱৰাজ অশোক অকলেই ওলাল। এক বিশাল গহ্বৰত পৰি মৰাৰ পৰা এজনী যুৱতীয়ে যুৱৰাজ অশোকক ৰক্ষা কৰিলে। এই যুৱতীজনীৰো নাম আছিল বিদিশা। ৰাতিৰপৰতে আকৌ যুৱৰাজ অশোক মৃত্যুৰ সন্মুখীন হ'ল। আৰু তেতিয়াও বিদিশায়েই অশোকক ৰক্ষা কৰিলে। পাছত যুৱৰাজ অশোকে বিদিশাক বিবাহ কৰালে। কিন্তু এই বিবাহৰ বাতৰিয়ে মহাৰাজ বিন্দুসাৰক ব্যথিত কৰি তুলিলে। আৰু তাৰ পাছত....]

৯

কৃষ্ণা নৈৰ তট-শোভিত উজ্জয়িনী আছিল অতি সুন্দৰ এক প্ৰাণৱন্ত নগৰী। এই স্থানৰ মাটি অতি সাৰুৱা। উজ্জয়িনী বাণিজ্যৰো কেন্দ্ৰ, আৰু সেইহে সদাব্যস্ত-সদাপ্ৰাণৱন্ত।

যুৱৰাজ অশোকে এই প্ৰাণৱন্ত কিন্তু অকস্মাৎ অশান্ত উজ্জয়িনীৰ শাসনৰ বাঘজৰীডাল টান মুঠিৰে ধৰিলে আৰু ন্যায়পৰায়ণতাৰে শাসকৰ কৰ্তব্য কৰি অত্যল্প দিনতে প্ৰজা-ৰাইজৰ শ্ৰদ্ধা-সুনাম আৰ্জিব পাৰিলে। অশোক তাত দৃঢ়মূল হ'ল।

অশোকৰ ধৰ্মপত্নী বিদিশাও সৰ্ব্বৰাইজৰ প্ৰিয় হৈ উঠিল। বিদিশাৰ মহনীয় সহনীয়তাই সকলোকে মুগ্ধ কৰিলে। বিদিশাই তেওঁৰ আচাৰ-আচৰণেৰে নিজক প্ৰজা ৰাইজৰ মাতৃৰূপে প্ৰতিষ্ঠা কৰিলে।

চাওঁতে চাওঁতে পাঁচ বছৰ পাৰ হ'ল। ইতোমধ্যে অশোক এজনী পুত্ৰী আৰু এক পুত্ৰৰো পিতৃ হ'ল। পুত্ৰৰ নাম মহেন্দ্ৰ, আৰু

পুত্ৰীৰ নাম হ'ল সংঘমিত্ৰা । এই ল'ৰা-ছোৱালীহালো মাতৃ-পিতৃৰ দৰেই নিৰ্মল অন্তঃকৰণৰ হৈ উঠিল।

পাঁচ বছৰৰ অন্তত, উজ্জয়িনী-সম্পৰ্কিত বা-বিবৰণৰে সৈতে বিদিশাৰ ভাতৃ যশক কটকীৰ বাব দি মহাৰাজ বিন্দুসাৰৰ ওচৰলৈ পঠোৱা হ'ল। কিন্তু যশৰ পৰিচয় পোৱামাত্ৰেই বৃদ্ধ অসুস্থ মহাৰাজ বিন্দুসাৰে তেওঁৰ ক্ষুব্ধতা প্ৰকাশ নকৰি নোৱাৰিলে। মহাৰাজে অশোকৰ কটকীৰূপী যশক ক'লে, "অশোকে যি মহাভুল কৰিলে—সেই মহাভুলৰ সংশোধনৰ কোনো উপায় নাই। অশোকে এনেহেন ভুল এটা কৰিব পাৰে বুলি মোৰ কল্পনায়ো ঢুকি পোৱা নাছিল। অশোক আছিল মোৰ আশাৰ পাত্ৰ। কিন্তু মোৰ সেই আশাৰ মূৰত অশোকে চেঁচাপানী ঢালি দিলে । মোৰ অনুমতি নোহোৱাকৈয়েই অশোকে কিয় যে বিভা কৰিবলগীয়া হ'ল—তাৰ কোনো হেতু মই বিচাৰি নাপাওঁ।"

"মহাৰাজ, মোক ক্ষমা কৰে যদি–কওঁ, এই বিবাহৰ আগতে যুৱৰাজ অশোকে এজন যোগ্য দূতৰ যোগেদি আপোনালৈ বিস্তৃত পত্ৰ প্ৰেৰণ কৰিছিল, আৰু সেই পত্ৰৰ উত্তৰো আপোনাৰপৰা যুৱৰাজে পাইছিল । অথচ—এতিয়া আপুনি যি ক'লে—তাৰ অৰ্থ হ'ল যে—আপুনি যুৱৰাজৰপৰা বিবাহ-বিষয়ক কোনো পত্ৰ পোৱা নাছিল ! কিন্তু—তেনেস্থলত—এই বিবাহৰ বিষয়ে-আপোনাৰ অনুমতি-পত্ৰ যুৱৰাজে কেনেকৈ পাইছিল ? এই ঘটনা কেনেকৈ সম্ভৱ হ'ল ? এই ঘটনাৰ মাজত নিশ্চয় কিবা ধৰণৰ ৰহস্য আছে ।"

যশে মন্তব্য কৰিলে আৰু যশৰ এই যুক্তিপূৰ্ণ কথা শুনি মহাৰাজ বিন্দুসাৰেও চিন্তিতভাবে মূৰ দুপিয়ালে।

তেতিয়া যশে — যুৱৰাজ অশোকৰ উজ্জয়িনীলৈ যাত্ৰাপথত ৰাতিৰ পৰতে বিদিশাত তম্বু তৰাৰপৰা আৰম্ভ কৰি, দুবাৰকৈ যুৱৰাজ অশোকৰ প্ৰাণ-সংহাৰৰ চেষ্টা, বিদিশাই দুয়োবাৰেই কেনেকৈ অশোকৰ প্ৰাণ ৰক্ষা কৰিছিল — সেই কথা, বিদিশাৰ সৈতে কেনেকৈ কি অৱস্থাত যুৱৰাজ ঘনিষ্ঠ হৈছিল—সেই কথা, আৰু তাৰ পাছত বিবাহ-বিষয়ক বা-বিবৰণো আনুপূৰ্বিক কৈ গ'ল।

তেতিয়া বৃদ্ধ মহাৰাজ বিন্দুসাৰেও উপলব্ধি কৰিলে যে এই ঘটনাৰ গুৰিত—এই নঘট-ঘটৰ গুৰিত—নিশ্চয় কিবা গভীৰ



ৰহস্যৰ মকৰাজাল আছে — নিশ্চয়েই আছে সুগভীৰ চক্ৰান্ত-ষড়যন্ত্ৰ।

মহাৰাজে এজন পালিমন্ত্ৰীক মতাই অনালে আৰু যশৰ থকা-মেলাৰ সুচাৰু বন্দৱস্ত কৰি দিবলৈ ক'লে।

আৰু সেইদিনাই মহাৰাজে তেওঁৰ মহামন্ত্ৰী ভল্লাটকক মতাই অনাই ক'লে, "মহামন্ত্ৰী, যোৱা দহ বছৰৰপৰা মই আপোনাসবৰ মাজত নাথাকোঁ, মোৰ চাউল টুটি আহিছে। কিন্তু— কিন্তু মৃত্যুক মানৱজীৱনৰ অনিবাৰ্য্য ঘটনা বুলি জানিও মই মৃত্যুলৈ ভীত হৈ উঠিছোঁ কিয় ক'ব পাৰিবনে ?"

"যদি এই সামান্য কথাও ক'ব নোৱাৰোঁ, কেনেকৈনো দীৰ্ঘকাললৈ আপোনাৰ সেৱক হৈ আছোঁ ?" মহামন্ত্ৰীয়ে মহাৰাজক ক'লে।

মহাৰাজে চিন্তাযুক্ত ধীৰ কণ্ঠেৰে ক'লে, "চন্দ্ৰগুপ্ত মৌৰ্য্যই স্থাপি যোৱা এই সুবিশাল মৌৰ্য্য-সাম্ৰাজ্যৰ ভৱিষ্যতৰ কথা ভাবিয়েই মই কিজানি মৃত্যুলৈ ভীত হৈ উঠিছোঁ। কওকচোন মহামন্ত্ৰী—মৃত্যুমুখী ৰজাৰ শয্যাৰ কাষত ভৱিষ্যৎ-ৰজাও উপস্থিত থাকিলে—সেয়া কিবা বেয়া কথা হ'বনে ?—অনুগ্ৰহ কৰি এতিয়াই সুশেমকা ইয়ালৈ মতাই অনাওক।"

"যি আজ্ঞা, মহাৰাজ। আপোনাৰ আজ্ঞা পালিত হ'ব। মৌৰ্য্য সাম্ৰাজ্যৰ ভৱিষ্যতৰ কথা ভাবি আপোনাৰ দুশ্চিন্তা কোনো অস্বাভাৱিক কথা নহয়। এই সুবিশাল মৌৰ্য্য সাম্ৰাজ্যৰ গৰিমা-গৌৰৱৰ বাবে তথা স্থায়িত্বৰ বাবে সমগ্ৰ জীৱনকাল ধৰি যি অপাৰ শ্ৰম কৰিলে, তাৰ কোনো তুলনা নাই। আমাৰ আশা, আপুনি আৰু কিছুকাললৈ জীৱিত থাকি মৌৰ্য্যসাম্ৰাজ্যৰ ৰক্ষক হৈ থাকক।" মহামন্ত্ৰীয়ে ক'লে।

"সুশেমৰ বিষয়ে — আপোনাৰ কিবা ধৰণৰ মতভেদ আছেনে ?"

মহাৰাজ বিন্দুসাৰৰ প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰীয়ে কিবা ক'বলৈ মুখ মেলিও মৌন হৈ থাকিল। কিন্তু কেইমুহূৰ্তমানৰ অন্তত ক'লে, "মহাৰাজ, স্পষ্ট কথা স্পষ্টভাৱেই কোৱা আৱশ্যক, যদিও—টান। সুশেমে—দুৰ্ভাগ্যৰ কথা—তক্ষশিলাত কঠোৰ হস্তেৰে দমন কৰাৰ পৰিৱৰ্তে কোমল আচৰণেৰে দ্ৰোহীহঁতক নিজৰফলীয়া কৰি লৈছে, আৰু ৰাজদ্ৰোহীহঁতকে ৰাজ-কৰ্মচাৰীৰূপে নিযুক্ত কৰিছে। এতিয়া তক্ষশিলাত ৰাজদ্ৰোহীহঁতৰে ৰাজত্ব। সুশেমে তাত এক অমাৰ্জনীয় ভোগ-

বিলাসময় জীৱন যাপি আছে, আৰু ৰাজকীয় শাসন-প্ৰণালীৰ সৰ্বনাশ সাধিছে।"

"এই সমাচাৰ মোৰ কাণতো নপৰা নহয়; কিন্তু—কিন্তু এই এইবোৰ সুশেমৰ শক্ৰহঁতে কৰা ৰটনা বুলিহে ভাবিছিলোঁ, তিলক তাল কৰা বুলি ভাবিছিলোঁ।" মহাৰাজ বিন্দুসাৰে দীঘলকৈ হুমুনিয়াহ কাঢ়ি ক'লে।

"নহয়, মহাৰাজ, এই সমাচাৰত ৰটনা-খচনা একো নাই, যি শুনিছে—সাঁচেকাটে সঁচা।" মহামন্ত্ৰীয়ে ক'লে।

"তাৰ অৰ্থ হ'ল — সুশেম মৌৰ্য্য সাম্ৰাজ্যৰ ৰাজপদৰ অযোগ্য।" মহাৰাজে স্বগতোক্তিৰ দৰে ক'লে।

"মোৰো—আপোনাৰ মতৰ অনুৰূপেই মত।" মহামন্ত্ৰীয়ে ধীৰ কণ্ঠেৰে ক'লে।

"তেনেহ'লে — মৌৰ্য্য-সাম্ৰাজ্যৰ সিংহাসনত কাক-কাক—" কৈ কৈ মহাৰাজে ৰৈ দিলে।

মহামন্ত্ৰীয়ে ক'লে, "যুৱৰাজ অশোক—আমাৰ দৃষ্টিত—সকলো ফালৰেপৰাই যোগ্য। বিদ্ৰোহ দমন, সাম্ৰাজ্যৰ সুচাৰু ৰক্ষণ আদিত যুৱৰাজ অশোকৰ দক্ষতা সুপ্ৰমাণিত। আৰু—মৌৰ্য্য-সাম্ৰাজ্যৰ প্ৰজাৰাইজো যুৱৰাজ অশোকৰ গুণগ্ৰাহী।"

মহাৰাজে ধীৰ-স্থিৰ নিৰ্লিপ্ত কণ্ঠেৰে ক'লে, "মই—মই এই মুহূৰ্তত একোৱেই স্থিৰ কৰিব পৰা নাই।"

"মহাৰাজ, আজিৰ দিনটো আপুনি বিশ্ৰাম কৰক। যেতিয়া আৱশ্যক হ'ব—তেতিয়া এই বিষয়ে সিদ্ধান্ত কৰা যাব।" এই বুলি কৈ,



মহাৰাজক প্ৰণাম কৰি মহামন্ত্ৰী গ'লগৈ।

সামান্য সময়ৰ অন্তত ৰাজপ্ৰাসাদৰপৰা পুনৰ মহামন্ত্ৰীক মতাই পঠোৱা হ'ল। এই বাৰ মহাৰাণীয়ে মহামন্ত্ৰীক মতাই অনালে। মহামন্ত্ৰী তৎক্ষণাৎ আহিল। তেতিয়া অসুস্থ হৈ পৰা মহাৰাজৰ শয্যাৰ কাষত ৰাজবৈদ্য বহি আছিল, আৰু ৰাজপুৰোহিত আৰু মহাৰাজৰ প্ৰথমা মহাৰাণীও তাতেই আছিল।

মহাৰাণীয়ে মহামন্ত্ৰীক ক'লে, "মহাৰাজৰ বুকুৰ বিষ উঠিল আৰু তেওঁ অচেতন হৈ পৰিল। সুশেমক তুৰন্তে মতাই অনাওক।"

"যি আজ্ঞা—মহাৰাণী।" মহামন্ত্ৰীয়ে ক'লে।

"এতিয়াই কাৰোবাক পঠাব পাৰিবনে?" প্ৰথমা মহাৰাণীয়ে সুধিলে, আৰু তাৰ পাছত



ধীৰ পদ-বিক্ষেপৰে খোজ ল'লে।

এটা বিশেষ কক্ষৰ আগত দুয়ো ৰ'ল, আৰু মহামন্ত্ৰীয়ে সেই কথাৰ দুৱৰীক ক'লে, "তুমি এতিয়াই আমাৰ সেনাধিপতিক মাতি আনাগৈ। আমি তেওঁৰ কাৰণে এই মন্ত্ৰণা-কক্ষত ৰৈ আছোঁ—এই কথা তেওঁক ক'বা।"

যশ সুভদ্ৰাৰ কক্ষলৈ গ'ল, আৰু যশে সুভদ্ৰাক প্ৰণাম কৰি ক'লে, "মা, মোক যুৱৰাজ অশোকে ইয়ালৈ পঠালে। মই যুৱৰাজৰ দূত।"

"আ!"

সুভদ্ৰাই বিস্ময় মানি কৈ উঠিল, "মই যে কিমান বছৰ মোৰ ল'ৰাটোক নেদেখাকৈ আছোঁ! অশোক — মোৰ অশোকৰ কুশলনে?"

"যুৱৰাজ সকুশল, মা। যুৱৰাজে দেৱীহেন বিদিশাক বিবাহ কৰালে, আৰু যুৱৰাজ এজনী পুত্ৰী আৰু এটি পুত্ৰৰো পিতৃ হ'ল। আপুনি যদি উজ্জয়িনীলৈ যায়, ল'ৰা-ছোৱালীহালক, বা আপোমাৰ বোৱাৰীকো এৰি আহিবলৈ সত নাযাব।" যশে ক'লে।

"বোপা, উজ্জয়িনীলৈ যোৱাৰ—মোৰ বৰ মন। কিন্তু মহাৰাজৰ স্বাস্থ্য ঠিক হৈ থকা নাই দেখিহে মই যাব নোৱাৰিছোঁ। আৰু—" ইমানলৈকে কৈ সুভদ্ৰা ৰ'ল। তেওঁৰ দৃষ্টি পৰিল যে — তেওঁক কোনোবা এজনী লিগিৰীয়ে ইংগিতেৰে মাতিছে।

সুভদ্ৰা তুৰন্তে মহাৰাজৰ কক্ষলৈ গ'ল আৰু মুহূৰ্ততে ওলাই আহি যশক ক'লে, "মহাৰাজৰ অৱস্থা অতি সংকটাপন্ন হৈ পুনৰ ক'লে, "মই এখন পত্ৰ লিখি দিম, পত্ৰখন সুশেমক দিব লাগিব।" এই বুলি কৈয়েই প্ৰথমা মহাৰাণী তাৰপৰা গ'লগৈ।

মহামন্ত্ৰীয়ে ৰাজবৈদ্যক একাবষৰীয়াকৈ মাতি নিলে আৰু উদ্বিগ্নতাৰে সুধিলে, "এতিয়া মহাৰাজৰ অৱস্থা কেনে দেখিছে?"

ৰাজবৈদ্যই ক'লে, "মহাৰাজে যদি কালিলৈ সূৰ্য্যোদয় দেখা পায়—সেয়া হ'ব চিকিৎসাশাস্ত্ৰৰ বিস্ময়।"

"যিকোনো প্ৰকাৰে হ'লেও—মহাৰাজক জীৱিত ৰখাৰ বাবে — সৰ্বপ্ৰযত্নৰে প্ৰয়াস কৰক। যদি কিবা কাৰত আৱশ্যক হয় — মোক তৎক্ষণাৎ মতাই পঠাব।" এই বুলি কৈ মহামন্ত্ৰীয়েও খোজ বঢ়ালে।

আৰু তেওঁৰ পিছে পিছে ৰাজপুৰোহিতেও

উঠিছে। ৰাজবৈদ্যই কৈছে যে—তেওঁৰ আজিৰ ৰাতি নুপুৱাবও পাৰে।" সুভদ্ৰাই ৰুদ্ধ কণ্ঠেৰে যশক ক'লে।

যশে তাৰপৰা ওলাই যাবলৈ খোজ বঢ়ালে। লগে লগে সুভদ্ৰাই ক'লে, "বোপা, মহাৰাজ জীৱিত থকালৈকেহে মই এই প্ৰাসাদত থাকিব পাৰিম। যদি কিবা হয়—যদি হ'ব নলগা কিবা হয়েই—তেনেহ'লে এই প্ৰাসাদেই মোৰ কাৰণে নৰক হৈ উঠিব। মোৰ অন্তৰত সুশেমৰ প্ৰতি মাতৃ-ভাৱ আছে, কিন্তু—সুশেমৰ অন্তৰত মোৰ প্ৰতি আছে হিংসা-দ্বেষ। সুশেমৰ মাতৃয়ে মোক শত্ৰু বলি ভাবে। বোপা, তুমি ইয়াতে কিছুদিনলৈ থাকিব পাৰা যদি—তোমাৰ সৈতে মই উজ্জয়িনীলৈ গুচি যাম।" সুভদ্ৰাই দুগাল তিয়াই চকুলো বোৱাই ক'লে।

"মা, আপুনি চিন্তিত নহওক। মই আপোনাৰ অৱস্থা উপলব্ধি কৰিব পাৰিছোঁ। কিন্তু জানি থওক, যেতিয়া সকলোটিয়েই—আনকি অন্য ৰাণীসকলেও আপোনাক ৰাজমাতা বুলি ক'ব—সেই দিন আৰু বৰ দূৰ নহয়।"

এই কথাৰ উত্তৰত সুভদ্ৰাই একো ক'ব নোৱাৰিলে। তেওঁ বিভ্ৰান্তৰ দৰে হৈ পৰিল।

যশে সুভদ্ৰাৰ উগুল-থুগুল অৱস্থালৈ চাই ক'লে, "মা, সময়লৈ প্ৰতীক্ষা কৰক। এই মৌৰ্য-সাম্ৰাজ্যৰ ভৱিষ্যৎ ৰজা—আৰু কেইদিনমানতেই স্থিৰ হ'ব। আপোনাৰ ইচ্ছাত—মই ইয়াতে থাকিম। কিন্তু মই বাৰে বাৰে আপোনাৰ ওচৰলৈ আহিব নোৱাৰিম। ৰাজপ্ৰসাদত কি হয় কি নহয়—কোনোবা

বিশ্বাসী লিগিৰা বা লিগিৰীৰ যোগেদি, বা আন কাৰোবাৰ যোগেদি মোক জনাব। যি কৰণীয়, মই কৰিম। মোক আশীৰ্বাদ কৰক, মা।" যশে সুভদ্ৰাক প্ৰণাম কৰাৰ অন্তত পদধূলি মূৰত ল'লে আৰু তাৰপৰা তেতিয়াই খোজ বঢ়ালে।

ইপিনে — মন্ত্ৰণাকক্ষলৈ সোমাই আহিয়েই সেনাধিপতিয়ে ক'লে, "মহামন্ত্ৰী, মই ব্যক্তিগতভাৱে—মৌৰ্য্যসাম্ৰাজ্যৰ ৰজাৰূপে সুশেমৰ নাম প্ৰস্তাৱ কৰিব নোৱৰোঁ। কিন্তু সুশেম হ'ল মহাৰাজৰ জ্যেষ্ঠপুত্ৰ, আৰু জেষ্ঠপুত্ৰক সিংহাসন প্ৰাপ্তিত সহযোগ কৰা হ'ল মোৰ কৰ্তব্যৰ ভিতৰুৱা কথা।"

"আপনাৰ এই কৰ্তব্যবোধ প্ৰকৃততেই শলাগিবলগীয়া।" মহামন্ত্ৰীয়ে ইমানলৈকে কৈ, ৰৈ, পুনৰ ক'লে, "কিন্তু এই ক্ষেত্ৰত এক

বিশেষ কথা হ'ল এয়ে যে—মগধৰ তথা মৌৰ্য্য সাম্ৰাজ্যৰ সিংহাসনৰ বিষয়ে মাত মাতিবৰ পূৰ্ণ অধিকাৰ ৰাজপুৰোহিতৰ আছে।"

"আপোনাৰ এই বক্তব্যৰ উদ্দেশ্য কি ?" সেনাধিপতিয়ে সুধিলে।

মহামন্ত্ৰীয়ে তেওঁৰ নিচেই কাষত বহিথকা ৰাজপুৰোহিতলৈ চালে।

ৰাজপুৰোহিতে ক'লে, "মই সকলো ৰাজকোঁৱৰৰ জন্ম-কুণ্ডলী—অৰ্থাৎ সোঁৱৰণী-উত্তমৰূপে চালি-জাৰি চালোঁ, আৰু এই সিদ্ধান্তলৈ আহিলোঁ যে—মগধ সাম্ৰাজ্যৰ সম্ৰাট হোৱাৰ যোগ্যতা একমাত্ৰ যুৱৰাজ অশোকৰ মাজতহে আছে। সুশেম যদি-সম্ৰাট হয়, মগধ-সাম্ৰাজ্য ছিন্নভিন্ন হৈ যাব।"

ইপিনে — সাঁজ লাগি ভাগোঁ ভাগোঁ হওঁতে যশে তেওঁৰ অতিথিভৱনৰ কক্ষত বহি সেই নৰ্তকীদ্বয়কে কৈ আছিল, "তক্ষশিলা আৰু উজ্জয়িনীৰ শাসক দুজনৰ মাজত কোনজন ইয়ালৈ প্ৰথমে পাবহি—তাৰ ওপৰত ভৱিষৎ কাৰ্য্যক্ৰম নিৰ্ভৰশীল।"

এই নতকী দুজনীয়েই সেই দুজনী, যি-দুজনী নৰ্তকীয়ে এদিন যুৱৰাজ অশোকক হত্যা কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু উদাৰহৃদয় আশোকে নৰ্তকী দুজনীক প্ৰাণভিক্ষা দিছিল আৰু সিহঁত দুজনীকে বিদিশাৰ খাচ লিগিৰী ৰূপে নিযুক্ত কৰিছিল।

নৰ্তকী দুজনীয়ে যশক সুধিলে, "স্পষ্টকৈ কওক, আমি এতিয়া কি কৰিব লাগিব।"

"সুশেমক যেনেতেনে বাটত ৰখাব লাগিব। তোমালোক দুয়োজনীয়েই অতি ভাল যোঁৱাচোৱাৰী যে—সেই কথা মই জানো।"

এজনী নৰ্তকীয়ে ক'লে, "যদিও বিদিশাদেৱীয়ে আমাৰ এই কাৰ্য্যৰ কথা জানিলে নিশ্চিতৰূপেই গৰিহা কৰিব, তথাপি, আমাৰ প্ৰাণভিক্ষাদানকাৰী যুৱৰাজৰ ঋণ কিঞ্চিতমান পৰিশোধ কৰাৰ বাবে গৰিহা খাম, তথাপি কৰিম।

যুৱৰাজ অশোক যেতিয়া মৌৰ্য্য-সাম্ৰাজ্যৰ সম্ৰাট হ'ব—তেতিয়া তোমালোকৰ জীৱনৰ সুঁতিৰ সলনি হ'ব—তোমালোকৰ নাম মৌৰ্য্য সাম্ৰাজ্যৰ ইতিহাসত স্বৰ্ণাক্ষৰেৰে লিখিত হৈ থাকিব।"

যশে দুয়োজনী নৰ্তকীৰ অন্তৰত ভৰপূৰ উছাহ-উদগনি যোগালে। [আগলৈ

আপটৰ প্টৰ

শ-ৰ মাজত থকা বেতালে লৰিচৰি উঠি এক ভয়লগা কণ্ঠেৰে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, এতিয়াও তোমাৰ জীৱনৰ কালক কালে হৰি নিয়া নাই, এতিয়াও তোমাৰ জীৱনৰ উম চেঁচা পৰা নাই। এতেকে—মোৰ দিহা-যুগুতলৈ উপেক্ষা প্ৰদৰ্শন নকৰি, উনিত দুনি নভৰি, এই অলাগতিয়াল অকথ্য পৰিশ্ৰম পৰিত্যাগ কৰাঁ। যদিহে খং উঠি, আমনি পাই, মই এহি মৃতদেহ পৰিহৰি গুচি যাওঁ, তেনেহ'লে—সেই যে বচনত বোলে—উৰনীয়া উৰি গ'ল, গোবৰ থেপীয়াৰ মৰণ মিলিল—তোমাৰো জানোচা সেয়ে হয়! এই যে যুগ যুগ ধৰি মৃতদেহ কঢ়িয়াই কঢ়িয়াই শ্মশানচাৰী হৈ কিবা ধৰণৰ অলৌকিক ক্ষমতাৰ অধিকাৰী হ'বা, বা এক মহান শাস্ত্ৰজ্ঞানী-তন্ত্ৰজ্ঞানী হ'বা বুলি উলহৰ মাদলীটো হৈ আছা, শাস্ত্ৰজ্ঞানী বিশাখ আৰু বিকাশৰ কাহিনী শুনিলে হয়তো কিঞ্চিত চক্ষুষ্মান হ'ব পৰিবা।" এই বুলি কৈ, বেতালে পুনৰ ক'বলৈ ধৰিলে :

বেতাল-কথা

তাহানিৰ বিলাসপুৰত বিকাশ নামেৰে এগৰাকী আঢ্যৱন্ত গৃহস্থ আছিল। তেওঁৰ বাপতি-সাহনৰ পৰিমাণ আছিল অফুৰন্ত, আৰু সেইহে, কালক্ৰমে বিকাশ এক বহি-খোৱা ফুকন হৈ পৰিল।

তথাপি—কোনোবা ক্ৰিয়াশীল মানুহে একেবাৰে হাত-সাৰটি বহি থাকিব নোৱাৰে আৰু বিকাশেও নোৱাৰিলে। আৰু সেইহে, বিকাশে সাতে-সোতৰই ভাবি ভাবি শেহান্তৰত শাস্ত্ৰচৰ্চাতে নিমগ্ন হ'ল।

চাওঁতে চাওঁতে বিকাশ শাস্ত্ৰত সুপণ্ডিত হৈ উঠিল। আৰু—তেওঁৰ শাস্ত্ৰজ্ঞান যিমানেই গভীৰ হৈ থাকিল, সাধাৰণ মানুহক—মানৱ-সমাজখনক—সিমানেই অজ্ঞান-অপদাৰ্থ বুলি ভাবি থাকিল, সাধাৰণ মানুহৰ মাজত সদা-সৰ্বক্ষণেই ইটো-সিটো দোষ-জগৰ-কেণা আৱিষ্কাৰ কৰি থাকিল, আৰু সেইবোৰ দোষ-জগৰ সহিব নোৱাৰি উপযাচিয়েই আক-তাক কৈ কৈ অনাৱশ্যক অপ্ৰিয়তাৰ চিকাৰ হৈ থাকিল, কিয়নো — সাধাৰণ মানুহৰ বিভিন্ন অজ্ঞান কাম-বনক বিকাশে শাস্ত্ৰৰ দেখ দেখ অসন্মান বুলি গণ্য কৰিছিল।

বিকাশ একে ধনিক তাতে বুদ্ধিমন্ত শাস্ত্ৰবিদ—গতিকে তেওঁৰপৰা দিহা-পোহা পাবলৈ বহু মানুহে তেওঁৰ কাষ চাপিছিল তেওঁলোকৰ বিভিন্ন ধৰণৰ জটিল-অজটিল সমস্যাৰ সমাধান বিচাৰি।

এদিন বাহাদুৰ নামৰ মানুহ এজন বিকাশৰ ওচৰলৈ আহিল আৰু কৈ থাকিল, "ডাঙৰীয়া, মোৰ ছোৱালীজনীৰ বিয়া পাতিছোঁ, আৰু বিয়াৰ দিন-খেণো খাটাংঙেই হৈছে। কিন্তু মই এই বিয়া ছমাহৰ পাছত পাতিম বুলি দৰাপক্ষক কোৱাত দৰাপক্ষই তিনি সপ্তাহৰ ভিতৰতে বিয়াখন পাতিব লাগে বুলি টানি কৈছে। মোৰ অসুবিধা হ'ল—ধন । বিয়াত যিমান ধন লাগিব, মোৰ নাই। মোৰ কথা হ'ল—সাপো মৰক লাঠিও নাভাঙক-বিধৰ অপায় নোহোৱা উপায় এটা দিবনে মোক ?"

বিকাশে ক'লে, "শাস্ত্ৰমতে—অহা ছয় মাহৰ ভিতৰত বিবাহ-অনুষ্ঠানৰ বাবে শুভ মুহূৰ্ত নাই—এই কথা এতিয়াই দৰাপক্ষক বুজাই কোৱাগৈ।"

"সেই কথা দৰাপক্ষীয়হঁতে নজনা নহয়। কিন্তু এই বিষয়ে তেওঁলোকৰ কথা হ'ল যে—দৰাৰ ককাক যিকোনো দিনাই হয়তো ঢকু

মুদিব—আৰু সেইহে, ককাক ঢুকুৱাৰ আগতে বিয়াখন পাতিব লাগিব, কিয়নো — ককাকে এই বিয়াখন চাই যাব বুলি আশাধাৰী জীউ হৈ জীয়াই আছে হেনো। শুভমুহূৰ্ত নোহোৱাকৈ বিয়া পতাৰ দোষ — তেওঁলোকে আনকি শান্তিযজ্ঞ পাতি খণ্ডাবলৈকো সাজু। মোৰ কথা হ'ল—ইমান ভাল দৰা-ল'ৰাটো মই পায়ো হেৰুৱাব নোৱাৰোঁ—অথচ বিয়াখন পতাৰ মন থাকিলেও জোখে-জোখাৰে ধনহে মোৰ নাই।—আপুনি বাৰু মোক মুদ্ৰা পাঁচহেজাৰমান দিবনে কৰ্জাস্বৰূপে ? মই আপোনাৰ ধাৰ—নিশ্চয় ছমাহতে শোধাম।"

"ছি ছিঃ, তুমিনো কেনেকুৱা বাপহে ? শাস্ত্ৰবচনক উলংঘা কৰি তুমি এজনী ফুলকোমল ছোৱালীৰ বিয়া পাতিবা — আৰু তাইৰ অমঙলৰ কথা জানি-বুজিও সেই জঘন্য কামলৈ মই জনা-বুজা শাস্ত্ৰগিয়ানী এজন হৈও তোমাক সহায় কৰিম—চেঃ !" শাস্ত্ৰত সুপণ্ডিত বিকাশে ঘৃণাৰে ক'লে।

"ডাঙৰীয়া, চিত্ৰপুৰৰ বিশাখদত্তৰ শাস্ত্ৰজ্ঞান কিজানি আপোনাতকৈ কিছু অধিকেই হ'ব। তেওঁ কিন্তু এই বিয়াখন পতাৰ ক্ষেত্ৰত মোৰ সাহসৰ শলাগেই লৈছিল।" এই বুলি কৈ, বাহাদুৰ তেতিয়াই ঘপ্‌কৈ তাৰপৰা গুচি গ'ল।

বাহাদুৰৰ কথাত বিকাশে যেনিবা এটা ঠলামূৰিকে খোৱা হ'ল।

আন এদিন ঘনশ্যাম নামৰ মানুহ এজনে এইখন গাঁৱতে ঘৰ এটা কিনিবৰ বিষয়ে পা-পৰামৰ্শ বিচাৰি শাস্ত্ৰজ্ঞানী বিকাশৰ কাষ



চাপিছিলহি। ঘনশ্যামৰ সমস্যা আছিল—সেই ঘৰটোৰ চাৰিওফালে, আনকি চোতালতো থকা নাৰিকল গছ। নাৰিকল গছ হেনো ঘৰৰ সীমাত থাকিলে ঘৰৰ ঘৰিণী মৰে—এই জন-বিশ্বাসজনিত সমস্যাৰ সমাধান তাক লাগে। এই সমাধান পালেহে ঘৰটো ল'ব, নতু নলয়।

ঘনশ্যামৰ কথা শুনি সুপণ্ডিত বিকাশ হাঁহি উঠিল। বিকাশে হাঁহি হাঁহিয়েই ক'লে, "শুভ মুহূৰ্ত চাই—নিঃচিন্তে ঘৰটো কিনি লোৱা। নাৰিকলগছে অনিষ্ট কৰে — এনেহেন হাঁহিউঠা অকাল-অসৃষ্টি কথাৰ কোনো আগ-গুৰিও নাই, অৰ্থও নাই।"

ঘনশ্যামে ক'লে, "মই কিন্তু—ঘৰটো কিনাৰ আগতে আটাইবোৰ নাৰিকলগছ কাটি পেলাবলৈ কৈছোঁ ঘৰৰ মালিকক, তাৰ

পাছতহে মই ঘৰটো কিনিম, নতুবা নিকিনো বুলি কৈছোঁ ঘৰৰ মালিকক। মালিকৰ কথা হ'ল যে—যিবোৰ পুলি তেওঁ নিজ হাতেৰে ৰুইছিল, আৰু সন্তানৰৎ লালি-পালি ডাঙৰ-দীঘল কৰিছিল—সেইবোৰ তেওঁ জীয়াই থাকোঁতে কাটি পেলাব নোৱাৰে। তেওঁক মই বহু ধৰণে বুজাবলৈ চেষ্টা কৰিলোঁ, কিন্তু তেওঁক একোপধ্যেই পোনাব নোৱাৰিলোঁ।"

"তোমাৰ মূৰ্খতাৰ মাছুল আনে ভৰিব লাগে বুলি কিয় তোমাৰ ধাৰণা হ'ল—তুমিহে জানিবা। তোমাৰ এইবোৰ অপাৰ মূৰ্খতাৰ কোনো তুলনা নাই।" বিকাশে উত্তেজিত কণ্ঠেৰে ক'লে।

"আপুনিয়েই হ'ল একমাথোন মানুহ, যেৰে মোক মূৰ্খ বুলি ক'লে। কিন্তু চিত্ৰপুৰৰ বিশাখদেউৰে মোৰ এই বিশ্বাসকে প্ৰশংসাহে কৰিলে।" এই বুলি কৈয়েই ঘনশ্যামে ঘোঁৰা-পাক যোৱা দি গ'লগৈ।

তাৰ পাছতো—আন কেইজনমানেও বিভিন্ন সময়ত বিভিন্ন প্ৰসংগত চিত্ৰপুৰৰ বিশাখদত্তৰ প্ৰশংসা কৰাত শাস্ত্ৰজ্ঞানী বিকাশৰ যেনিবা মুখত পানী নোহোৱা হ'ল। বিকাশ শাস্ত্ৰজ্ঞানীয়ে ভাবি থাকিল:

কোননো এই বিশাখদত্ত ? কিয় তেওঁক এইবোৰ অজ্ঞ মানুহবিলাকে ইমান ভাল পায়, আৰু মই সঁচাৰো সঁচা শাস্ত্ৰানুগ জ্ঞান সিহঁতক দিয়াতো মোক কিয় ইহঁতে ইমান বেয়া পায় ? বিশাখদত্তৰ শাস্ত্ৰজ্ঞান বেলেগবিধৰনে ? কিয়নো এইবোৰ মূৰ্খাদপি মূৰ্খয়ো বিশাখৰ বিদাপতি গায় ?

এইবোৰ-এনেবোৰ ভাবি ভাবি এদিন বিকাশ শাস্ত্ৰজ্ঞানীয়ে চিত্ৰপুৰলৈ বুলি যাবলৈ যো-জা-কৰি থকাতেই হঠাৎ তেওঁলোকৰ গাঁৱতে সাধু এজনক দেখা পালে।

বিকাশে সাধুজনক প্ৰণাম কৰিলে আৰু সাধুক নিমন্ত্ৰণ কৰি ঘৰলৈ লৈ অহাৰ পাছত সুধিলে, "হে বাবা, মই শাস্ত্ৰাদি অধ্যয়ন কৰি কিঞ্চিতমান জ্ঞান আৰ্জিলোঁ। আপুনি বাবা—দয়া কৰি মোৰ শাস্ত্ৰজ্ঞানৰ পৰীক্ষা কৰি অনুগ্ৰহ কৰি ক'বনে যে—মোৰ শাস্ত্ৰজ্ঞানৰ পৰিধি কিমান ?"

"পুত্ৰ, শাস্ত্ৰজ্ঞানৰ কোনো সীমা নাই। পিছে—সৰ্বশাস্ত্ৰৰ শ্ৰেষ্ঠ শাস্ত্ৰ হ'ল—ব্যৱহাৰ-শাস্ত্ৰ। এই ব্যৱহাৰ-শাস্ত্ৰ-অৰ্থাৎ আচাৰ-আচৰণৰ শাস্ত্ৰ অধিগত কৰাৰ পথ বেলেগ

বেলেগ হ'ব পাৰে। ব্যৱহাৰ-শাস্ত্ৰৰ মূল কথা হ'ল—দিহা কম—কাম অধিক, জ্ঞানদান কম, সহায়দান অধিক।" সাধুৱে শাস্ত্ৰজ্ঞানী বিকাশক সদবুদ্ধি দিলে।

বিকাশে ক'লে, "কিন্তু বাবা, সেই বুলি মূৰ্খক তো গিয়ানী বুলি ভাবিব নোৱাৰি। কোনো প্ৰকৃত শাস্ত্ৰজ্ঞই কেনেকৈনো এনেহেন অন্যায় চতুৰতা কৰিব ?"

সাধুজনে বিকাশলৈ একেথিৰে চালে আৰু তাৰ পাছত ক'লে, "শুনা, তুমি এই প্ৰশ্নৰ দেখ দেখ উত্তৰ, তথা এই প্ৰশ্ন-বিষয়ক জ্ঞান আৰু প্ৰমাণ আৰ্জিবৰ বাবে চিত্ৰপুৰৰ শাস্ত্ৰজ্ঞানী বিশাখদত্তৰ ওচৰলৈ যোৱা, আৰু সৰ্বশাস্ত্ৰৰ শ্ৰেষ্ঠ শাস্ত্ৰ কি — তেঁওৰপৰা বিশদভাৱে জানি আহাঁগৈ।"

সাধুবাবাৰ মুখতে বিশাখৰ নাম শুনি বিকাশৰ ধাৰণা হ'ল যে সাধুবাবায়ো বং লগোৱা কথাকে কৈছে। কিন্তু তথাপি অনতিপলমে বিশাখৰ ওচৰলৈ যাবলৈ বিকাশে তৎক্ষণাৎ চিত্ৰপুৰলৈ বুলি খোজ ল'লে।

চিত্ৰপুৰ পাই — বিকাশশাস্ত্ৰজ্ঞই বিশাখদত্তৰ গৃহ বিচাৰিবলগীয়া নহ'ল, 'বিশাখ-ভৱন' নামাঙ্কিত বিৰাট অট্টালিকা এটা দেখা পালে। বিকাশ ভৱনৰ ভিতৰলৈ গ'ল। সুবৃহৎ কক্ষ এটাত মজিয়া-জোৰা দলিচা। কক্ষৰ সোঁমাজত বহি আছিল—স্বয়ং বিশাখদত্ত। বিশাখদত্তক চিনি পোৱাত বিকাশশাস্ত্ৰজ্ঞই অকণোকে টান পোৱা নাছিল, কিয়নো বিশাখদত্তৰ মুখ-চকুত আছিল জ্ঞানৰ দীপিতি। তেওঁৰ নিচেই কাষতে বহি আছিল

দেৱদত্ত নামৰ যুৱা এজন। যুৱা দেৱদত্তৰ হাতত আছিল বাঁহী। তাৰ কাষত আছিল এখন বহী, আৰু খৰীমাটি আৰু ইটো-সিটো বহুতো।

বিশাখদত্তৰ সমুখত ভালেমান মানুহ বহি আছিল। বিকাশ যেতিয়া তাত উপস্থিত হ'লগৈ, ঠিক তেতিয়াই কবি এগৰাকীয়ে কৈ আছিল, "প্ৰকৃতিৰ শক্তিয়েই হ'ল মানৱ-জীৱনৰ চালিকা-শক্তি। সেই কাৰণেই মোৰ কবিতাত পুষ্প, জোনাক, উদাৰ আকাশ আদিয়ে ইমান স্থান লাভ কৰিছে। কিন্তু-প্ৰকৃতিৰ ইমান ৰূপ বৰ্ণনা কৰা সত্বেও মই এতিয়ালৈকে কোনো প্ৰতিদান নাপালোঁ।"

বিশাখদত্তই দেৱদত্তক ক'লে, "তোমাৰ বহীখনৰপৰা ভাল চাই গীত এটা শুনোৱাচোন, দেৱদত্ত। তাৰে মই প্ৰেৰণা লাভ কৰিম।"

দেৱদত্তই স্বৰচিত গীত এটা শুনালে। এই গীতটো আছিল অৰ্থ-ৰহিত আৰু ভাৱ-ৰহিত। কিন্তু তথাপি বিশাখদত্তই কৈ উঠিল, "সুন্দৰ! সুন্দৰ! কিমান যে মধুৰ গীতধ্বনি!" বিশাখদত্তই দেৱদত্তক শলাগিলে আৰু তাৰ পাছত কবিজনক ক'লে, "হে কবি, প্ৰকৃতিৰ অপৰূপ ৰূপ বৰ্ণনাকাৰী—আপোনাৰ নিচিনা মহান কবি এগৰাকীৰ দৰ্শন লভি মই আনন্দিত। আপুনি যি প্ৰতিদানৰ কথা ক'লে, তাৰ ব্যাখ্যা কৰাৰ যোগ্যতা মোৰ নাই। মই এক অতি সাধাৰণ মানুহ। মোৰ শক্তি সীমিত।"

এই কথা শুনি কবি আনন্দিত হ'ল, আৰু বিশাখদত্তৰ গুণগান কৰি তৃপ্ত হৈ গুচি গ'ল।

তেতিয়া হালোৱা মানুহ এজনে বিশাখদত্তক ক'লে, "দৌতা, প্ৰতি বছৰ মোৰ খেতি-পথাৰত ওপজ ভালেই হয়, আৰু ভঁৰালো ভালেকৈয়েই ভৰে। কিন্তু শস্যৰ দাম কেতিয়াবা বাঢ়ে, কেতিয়াবাহ কমি যায়। সেইহে, ওপজখিনি নেবেচাকৈ আছোঁ। কেতিয়া যে লোকচান নোহোৱাকৈ ঠিক দাম পাম—ক'বনে?"

বিশাখদত্তই দেৱদত্তক ক'লে, "চোৱা দেৱদত্ত, তুমি তোমাৰ খৰী মাটিৰে এই কৃষকজনৰ চিত্ৰ সৌ ফলিখনত আঁকাচোন—।"

লগে লগে দেৱদত্তই এখন ফলিত হালোৱাজনৰ মুখ আঁকিলে। বিশাখদত্তই দেৱদত্তৰ পিঠিত থপৰিয়াই ক'লে, "বাঃ-বাঃ! হুবহু হৈছে! চাব্বাইচ!" তাৰ পাছত কিছুপৰলৈ হালোৱাৰ সেই চিত্ৰলৈ টঁটঁকৈ চাই থকাৰ অন্তত হালোৱাক ক'লে, "দেশত আকাল হ'ব যেতিয়া, তেতিয়া শস্য বেচিবা। তুমি যে এতিয়াও শস্য বেচা নাই—বৰ বুধিয়কৰ। কাম কৰিছা। তোমাৰ সৈতে চিনাকি হৈ বৰ ভাল পালোঁ।"

বিশাখদত্তৰ কথাত ৰং পাই হালোৱা গ'লগৈ। আৰু লগে লগে এজনী তিৰোতাই বিশাখদত্তক ক'লেহি, "মান্যবৰ, মই দোষ-জগৰ কৰিলেও যেই কোনো মানুহক ক্ষমা কৰিব পাৰোঁ, কিন্তু মোৰ সন্তানতকৈ অধিক আদৰ-সন্মান আন কোনোবাই পোৱাটো মই সহিব নোৱাৰোঁ। কওকচোন—মই শান্তিৰে শান্ত হৈ থাকিবলৈ কি কৰা আৱশ্যক।"

বিশাখদত্তই দেৱদত্তক বাঁহী বজাবলৈ ক'লে, আৰু দেৱদত্ত বাঁহী বাদন বিভোল হৈ

শুনিলে আৰু ক'লে, "কিমান যে মধুৰ বংশীধ্বনি! স্বয়ং নাদব্ৰহ্মও এই বাদন শুনি স্থিৰ হৈ থাকিব। তুমি ধন্য।" তাৰ পাছত তেওঁ সেই তিৰোতাজনীক ক'লে, "হে দেৱী! নাৰীকুলৰ কাৰণেই এই জগত-সংসাৰ ধন্য হৈ আছে। আপোন সন্তানৰ উন্নতি সৰ্বনাৰীৰ কাম্য, আৰু এই মনোভিলাষ অতি স্বাভাৱিক। কিন্তু আপোনাৰ নিচিনা সত্যব্রতী—সঁচা কথা সচাঁ ভাৱে সঁচাসঁচিকৈ ক'ব পৰা নাৰী—জগতত কৌটিতে গুটি। আপোনাৰ নিচিনা সত্যনিষ্ঠ মাতৃলৈ মই নমস্কাৰ জনাওঁ।"

এইবোৰ চাই-শুনি প্ৰমাদ গণি বিকাশৰ মনত বিভ্ৰম উপস্থিত হ'ল আৰু তেওঁৰ ধৈৰ্য্য-সহ্যৰো বান্ধ টুটিল। বিশাখদত্তৰ এইবোৰ ভালৰি বোলাৰা আফুৰা কথাতনো শাস্ত্ৰ ক'ত আছে? বিশাখদত্ত দেখোন এক ডাঙৰ চকুচুকাওঁতাহে! বিকাশ-শাস্ত্ৰজ্ঞই ভাবিলে: কিন্তু কথা আচৰিতেই যে তথাপি কিয় এই দেখ দেখ চুকচুকাওঁতাৰ ওচৰ চাপে মানুহে?

বিশাখ-শাস্ত্ৰৰ থাউনি নোপোৱা বিকাশদত্ত তাত আৰু নৰ'ল। তেওঁ তেওঁৰ গাঁৱৰ বাট ল'লে। আৰু বাটত পুনৰ দেখা দেখি সেই সাধুবাবাৰ সৈতে।

বিকাশে অতি উত্তেজিতভাৱে বিশাখদত্তৰ বিবৰণ সাধুক ক'লে। শুনি—সাধুবাবাই হোহোৱাই হাঁহি উঠি ক'লে, "পুত্ৰ, তোমাৰ কথাৰপৰা এই কথা মই চাফ্‌ফাকৈয়েই বুজি পালোঁ যে—বিশাখে প্ৰকৃতপক্ষেই ব্যৱহাৰ-শাস্ত্ৰক ব্যৱহাৰিকভাৱে ব্যৱহাৰ কৰিব পাৰিছে। তুমিও ঘৰলৈ উভতি যোৱাৰ পাছত

মূৰৰ তলুৱাত গুড়ুচ্যাদি লতাৰ তেল ঘঁহি এই ব্যৱহাৰ-শাস্ত্ৰৰ বিষয়ে সম্যক অৱগত হ'বলৈ চেষ্টা কৰিবা। এই বছৰৰ শেষ ভাগত মই পুনৰ তোমাৰ ঘৰলৈ যাম, আৰু তেতিয়া তুমি ব্যৱহাৰ-শাস্ত্ৰক কেনেকৈ ব্যৱহাৰ পাৰিছা—চাম।" এই বুলি কৈয়েই সাধুবাবাই পুনৰ বাট বুলিবলৈ ধৰিলে।

এই কাহিনী ইমানলৈকে কোৱাৰ, অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! সাধুবাবাৰ মতে—বিকাশতকৈ বিশাখদত্তয়েই উত্তম তথা প্ৰকৃত শাস্ত্ৰজ্ঞানী। কিন্তু—ভালকৈ ভাবি-গুণিয়েই সাধুৱে এই নিৰ্ণয় কৰিছিলনে? বিকাশ-শাস্ত্ৰজ্ঞই লোকক প্ৰকৃত শাস্ত্ৰ-বচনেৰে উপদেশ তথা দিহা-পোহা দিছিল যে সেই কথাত কোনো সন্দেহ নাছিল।

কিন্তু বিশাখ-শাস্ত্ৰজ্ঞৰ উপদেশ আছিল—ভুৱাবাজীৰে ভৰা। দেৱদত্ত নামৰ মূল্যহীন এক যুৱাৰ সৈতে অৰ্থহীন কথাৰ ফুলজাৰিৰে ভালৰি বোলাই দিহা পাবলৈ আশা কৰি অহা লোকসকলক দৰাচলতে বিশাখদত্তই আভুৱাহে ভাঁৱিছিল। সাধুৱে কোৱা বিশাখদত্তৰ ব্যৱহাৰ-শাস্ত্ৰৰ প্ৰকৃত ফল হ'ল — মিছাৰ খেতি। তেওঁৰ-শাস্ত্ৰ দেখোন সঁচাৰ কাষেদিও নোযোৱা শাস্ত্ৰ৷ ব্যৱহাৰ-শাস্ত্ৰ বোলা কোনো শাস্ত্ৰ-গ্ৰন্থ বাস্তৱিকতে জগতত আছেনে ? সাধুবাবাই বিকাশৰ সৈতে বাৰু ধেমালিকে কৰিছিলনে ? সাধুবাবাসকলে নিশ্চয় অৰ্থহীন ধেমালি নকৰে।মোৰ এই সন্দেহৰ সদুত্তৰ জানিও যদি সঠিককৈ নিদিয়া—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি ধুৰুপেই জানি থ'বা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "বিকাশ আৰু বিশাখৰ ওচৰলৈ দিহা-পৰামৰ্শ বিচাৰি অহাসকল আছিল অতি সাধাৰণ শ্ৰেণীৰ মানুহ-মুনিহ। শাস্ত্ৰ-বচনেৰে সিসকলক জ্ঞান দিয়াৰ চেষ্টা—বৃথা; তাতকৈ সিসকলৰ মন শান্ত কৰাটোহে মূল্যৱান কথা। বিকাশ যে প্ৰকৃত শাস্ত্ৰজ্ঞ আছিল, সাধুবাবায়ো সেই কথা নুবুজাকৈ নাছিল। কিন্তু বিকাশৰ মাজত যে সাধাৰণভাৱে মঙ্গলকাৰী শাস্ত্ৰজ্ঞানৰ অভাৱ আছিল, সেই কথাটোও সাধুবাবাই ঠিকেঠাকেই ঠাৱৰ কৰিব পাৰিছিল। বিশাখদত্তৰ শাস্ত্ৰজ্ঞান তথা পাণ্ডিত্য আছিল পৰিপূৰ্ণ। কাঁঠাল গুটিৰে বৰশী-বাই, ওকটি-মাখল গাই শাস্ত্ৰ-বচনৰ যোগেদি ঐদেহি-বৈদেহি বলকি সময় নকটাই—তেওঁ সাধাৰণ বুদ্ধিৰ সাধাৰণ মানুহে গ্ৰহণ কৰিব পৰা আপটৰ পটক দিছিল—যাৰে সিসকলে মনত বল প্ৰাণত শান্তি পাইছিল। কিন্তু বিকাশ-শাস্ত্ৰজ্ঞই চূণৰ ফোঁটত মাৰি এইকণ উপকাৰো সাধিব পৰা নাছিল। ব্যৱহাৰ-শাস্ত্ৰ বোলা কোনো শাস্ত্ৰগ্ৰন্থ দৰাচলতে নাই; প্ৰকৃততে—সকলো শাস্ত্ৰৰ প্ৰকৃত ব্যৱহাৰিক প্ৰয়োগেই হ'ল যে ব্যৱহাৰ-শাস্ত্ৰ—সাধুৱে সেই কথাহে বিকাশ-শাস্ত্ৰজ্ঞক বুজাই ক'বলৈ চেষ্টা কৰিছিল।"

ৰজা বিক্ৰমাদিত্যই মৌনতা ভংগ কৰাৰ লগে লগে বেতালে সেই মৃতদেহটো লৈ পুনৰ বিজুলী গতিৰে সেই গছজোপালৈ গৈ মুহূৰ্ততে মৃতদেহটো গছৰ ডালত ওলোমাই থোৱা হ'ল। [কল্পিত

পুৰীৰপৰা চন্ডীপুৰ খোজেপতি হিয়াজুৰ

ৰচন : মীৰা নায়াৰ ✵ আঁকন : গোপকুমাৰ

পুৰীৰ জগন্নাথ মন্দিৰৰপৰা কোনাৰকৰ সূৰ্য্যমন্দিৰলৈ মুঠমাঠ ৩২ কিল'মিটাৰৰ বাট। বঙ্গোপসাগৰৰ সুনীল জলৰাশি-বিধৌত দৃষ্টিসীমাৰপৰা সুদূৰবিয়পা সাগৰৰ পাৰে পাৰে কাজু-বাদামৰ বন-মোহন বিবিধ, ঝাও, ইউক্যালিপটাছ আৰু অজস্ৰ তালৰ সমদলৰ সৈতে আদিগন্ত ধাননিৰ শ্যামলিমা চাই চাই গৈ থাকোঁ। এইবোৰ সাগৰপৰীয়া ঠাইৰ ৰাইজৰ মূল জীৱিকা হ'ল ঘাইকৈ ধানখেতি আৰু মাছধৰা। ধান্যৰোপণ আৰু ধান্য-কৰ্তন অৰ্থাৎ ৰোৱা আৰু গোটোৱা উভয়েই হ'ল উছৱৰ সময়। ৰোৱনৰ সময় হ'ল শ্ৰাৱণপূৰ্ণিমা। তেতিয়া ল'ৰাহঁতে কেপেয়ালাখুটিত উঠি এই আশাৰে ধানখেতিত খোজ দিয়ে যে খেতিৰ ধান যেন তেনেকুৱা দীঘল হয়, যেন হামাৰভাৱে শস্য ওপজে।

ক'লাশিলেৰে সজোৱা কোনাৰকৰ সূৰ্য্যমন্দিৰ বহুদূৰৰেপৰাই দৃষ্টিগোচৰ হয়। কোনাৰকৰ সুৰ্য্যমন্দিৰ ভাৰতৰ সৰাতোকৈ বৃহৎ মন্দিৰ। এই মন্দিৰ একালত ৬০ মিটাৰ ওখ আছিল আৰু সমুদ্ৰী-নাবিকসকলৰ কাৰণে আছিল এক গুৰুত্বপূৰ্ণ চিহ্নস্থল। পুৰীৰ শ্বেতবৰ্ণ জগন্নাথ মন্দিৰ আৰু কোনাৰকৰ এই সূৰ্য্যমন্তিৰৰ প্ৰভেদে বুজাবলৈ ইউৰোপীয় নাবিকসকলে সূৰ্য্যমন্দিৰক 'ব্লাক প্যাগোডা' বুলি কৈছিল।

এক কিংবদন্তি অনুসাৰে : কৃষ্ণ আৰু জাম্বৱতীৰ পুত্ৰ ছাম্ব কুষ্ঠ ব্যাধিৰে আক্ৰান্ত হোৱাত কৃষ্ণই সূৰ্য্যদেৱতাক তুষ্ট কৰিবলৈ ছাম্বক ক'লে। কিয়নো আকাশ-জিলিকা পৃথিৱী-পালিকা সূৰ্যদেৱতায়েই হ'ল সৰ্বব্যাধিৰ আৰোগ্যদাতা।

শ্ৰাৱণপূৰ্ণিমাত ধান্য-ৰোপণ



একেবাৰে ১২ বছৰ ধৰি কঠোৰ প্ৰায়শ্চিত্তমূলক তপস্যা কৰাৰ ফলত সূৰ্য্যদেৱতাৰ কৃপাৰে ছাম্ব কুষ্ঠব্যাধিৰপৰা মুক্ত হ'ল, আৰু সূৰ্য্যদেৱতালৈ অপাৰ কৃতজ্ঞতাৰ চিনস্বৰূপে এই সূৰ্য্যমন্দিৰ সাজি দিয়া হ'ল। চন্দ্ৰভাগা নৈত স্নান কৰি থাকোঁতে ছাম্বই এক সূৰ্য্য-বিগ্ৰহ পাইছিল, আৰু এই সূৰ্য্যমন্দিৰত সেই সূৰ্য্য বিগ্ৰহ স্থাপন কৰিছিল।

চন্দ্ৰভাগা নৈৰ অস্তিত্ব—এতিয়া আৰু প্ৰায় নাই। এতিয়া একালৰ বেগৱতী চন্দ্ৰভাগা—এক তৰাং ঘূলিহেন হৈ আছে। তীৰ্থযাত্ৰীসকলে অৱশ্যে—মাঘ-সংক্ৰান্তিৰ দিনা সূৰ্যোদয়ৰ আগে আগে এই ঘূলিৰ পানীতে পবিত্ৰস্নান সামৰি পবিত্ৰ-অন্তৰ হয়।

ত্ৰয়োদশ শতিকাত সজোৱা আজিৰ এই সূৰ্য্যমন্দিৰ গঙ্গা ৰাজবংশৰ ৰজা লঙ্গুড় নৰসিংহদেৱে নিৰ্মাইছিল বুলি কোৱা হয়। তেওঁ ১২০০ বনুৱাক ১২ বছৰলৈ কৰ্মনিযুক্ত কৰি এই মন্দিৰ সাজি উলিয়াইছিল বুলি কথিত।

কিংবদন্তি মতে: এই মন্দিৰৰ প্ৰধান স্থপতি বিশু মহাৰাণাই এই মন্দিৰক স্থাপত্যৰ তথা ভাস্কৰ্য্যৰো এক বিস্ময়ৰূপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছিল। এই কাৰ্যত দিনে-নিশাই তেওঁ (বিশু) ইমানেই মগ্ন হৈ পৰিছিল যে তেওঁ আনকি গাঁৱত থকা নিজৰ পত্নী-পুত্ৰৰ কথাও বিস্মৃতপ্ৰায় হৈছিল। ইতিমধ্যেতেওঁৰ পুত্ৰ ধৰ্মপদ ডাঙৰ হৈ উঠিল, আৰু ধৰ্মপদও তাৰ দেউতাকৰ দৰেই স্থাপত্য-কাৰ্য্যত দক্ষ হৈ উঠিল। এদিন ধৰ্মপদই তাৰ দেউতাকক বিচাৰি ওলাল।

তিমানতে বিশু মহাৰাণাই মন্দিৰৰ নিৰ্মাণকাৰ্য্য প্ৰায় সমাপ্ত কৰিছিল। কিন্তু, কিবা এক হিচাপৰ ইপাল-সিফাল হোৱাত মন্দিৰৰ সুদীৰ্ঘ চূড়া ঠিকমতে স্থাপন কৰিব পৰা নাছিল।

এই কাৰণে মন্দিৰৰ নিৰ্মাণকাৰ্য্যৰ সমাপ্তিৰ পলম হোৱাত মহাৰাজ নৰসিংহদেউ ক্ৰুদ্ধ হৈ উঠিল। বিশু এক বিষম অৱস্থাত পৰিল।

আৰু ঠিক তেতিয়াই ধৰ্মপদও তালৈ উপস্থিত হ'লহি। ধৰ্মপদই তাৰ দেউতাকৰ হিচাপৰ গৰমিল ঠিক কৰি নিৰ্ভুল গণনা কৰি দিলে, আৰু তেতিয়া মন্দিৰৰ নিৰ্মাণ সুকলমে সমাপ্ত হ'ল।

সূৰ্যমন্দিৰৰ সেই অভিনৱ চূড়া আজি আৰু নাই। কিন্তু তথাপি এই মন্দিৰ এতিয়াও ৪০ মিটাৰ

সূৰ্য্যমন্দিৰ, কোনাৰক



ওখ। এই বিশাল সূৰ্যমন্দিৰ সূৰ্য্যদেৱতাৰ ৰথৰ আকৃতিৰে সাজি উলিউৱা হৈছে। সূৰ্য্যদেৱতাৰ এই ৰথ দুৰন্ত গতিৰ সাতোটা ঘোঁৰাই চলোৱা পৰিলক্ষিত হয়। এই সপ্ত অশ্ব হ'ল সাত দিনৰ প্ৰতীক। এই ৰথৰূপী মন্দিৰত বাৰ যোৰ চকা আছে। এই ১২ যোৰ চকা হ'ল বছৰৰ বাৰ মাহৰ বা বছৰৰ ২৪ পষৰ প্ৰতীক। প্ৰতিটি চকৰিত ১৬ ডালকৈ মাৰি আছে (এই ১৬ ডাল মাৰি হ'ল—সুপ্ৰাচীন কালৰ ১৬ প্ৰহৰৰ প্ৰতীক। তেতিয়া এদিনক ১৬ প্ৰহৰেৰে ভগোৱা হৈছিল)।

শতিকাৰ পাছত শতিকা ধৰি এই বিশাল সূৰ্য্যমন্দিৰ এক পৰিত্যক্ত মন্দিৰৰূপে দণ্ডায়মান হৈ থকাৰ ফলত—কালৰ প্ৰভাৱত জৰাজীৰ্ণ-ক্ষয়িত হৈ পৰিছে। এই শতিকাৰ প্ৰাৰম্ভত এই মন্দিৰ পৰ্বতসদৃশ বালিৰ স্তূপত পোত খাই পৰিছিল। বিপুলপৰিমাণৰ বালিৰাশি আৰু জাবৰ-জোথৰ গুচোৱাৰ পাছতহে আমি—আজিৰ মনুহে অভাৱিত এই সূৰ্য্যমন্দিৰ ঐশ্বৰ্য্যময় ৰূপ প্ৰত্যক্ষ কৰিব পাৰিছোঁ। এই সূৰ্য্যমন্দিৰ এতিয়া সমগ্ৰ পৃথিবীৰ ঐতিহ্যবাহী সম্পদৰূপে UNESCO-দ্বাৰা স্বীকৃত হৈছে।

কোনাৰকৰপৰা আৰু কিছুখিনি উত্তৰলৈ আগবাঢ়িলে আমি আমাৰ দেশৰ অন্যতম প্ৰধান সমুদ্ৰ-বন্দৰ পাৰাদীপ পামগৈ। আমাৰ স্বাধীনতাপ্ৰাপ্তিৰ পাছত পাৰদীপ হ'ল পূৰ্বসমুদ্ৰতটীয় এমকাত্ৰ বন্দৰ। সাগৰীয়-ভ্ৰমণৰ বাবেও পাৰাদীপ মনোৰম। আৰু—এই পাৰাদীপত আনকি সুদূৰ দক্ষিণ আমেৰিকাৰপৰা কণী পাৰিবলৈ হাজাৰ-বিজাৰ লাখ-বিলাখ সমুদ্ৰী-কাছ এই পাৰাদীপলৈ আহে।

এই পাৰাদীপৰ সাগৰবালিত আছে গহিৰামাতা-আশ্ৰয়স্থল অৰ্থাৎ স্যাংটিউয়্যাৰি যি আশ্ৰয়স্থললৈ পৃথিৱীৰ দূৰ-দূৰান্তৰ সমুদ্ৰী-কাছহঁত দলে দলে সিহঁতৰ কণীৰ নিৰাপত্তা বিচাৰি আহে। প্ৰতি বছৰ জানুৱাৰিৰপৰা ফেব্ৰুৱাৰিৰ প্ৰথম সপ্তাহৰ ভিতৰতে প্ৰায় ১০ লাখমান সমুদ্ৰী-কাছই ইয়ালৈ আহি বাহ সাজে আৰু কণী দিয়ে। এইবোৰ সমুদ্ৰী-কাছৰ মাজত আনকি *অলিভ ৰিডলি* নামৰ অতি ভয়ংকৰ বিপজ্জনক প্ৰজাতিৰ কাছও বহু সংখ্যাত থাকে। এই ভয়ংকৰ বিপদজনক প্ৰজাতিৰ সমুদ্ৰী-কাছ অলিভ ৰিড্‌লি কমেও ৩০০,০০০ লাখ পাৰাদীপলৈ আহে, আৰু পাৰাদীপৰ ১০ কিল'মিটাৰ-বিয়পা সাগৰতটত বাহ সাজি কণী দিয়ে।

বাঘা যতীন

এতিয়া আমি পাৰাদীপ এৰি আৰু আগবাঢ়ি বালেশ্বৰ নামৰ বাণিজ্যকেন্দ্ৰলৈ যাম। ১৬৪২ চমত বৃটিছ বণিজাৰহঁতে এই বাণিজ্য-কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছিল। এই বালেশ্বৰতে মহান বিপ্লৱী *বাঘা যতীন* নামেৰে জনাজাত যতীন্দ্ৰনাথ মুখোপাধ্যায় বৃটিছৰ গুলীত প্ৰাণাহুতি দিবলগীয়া হৈছিল। বিপ্লৱী বাঘা যতীন ১৯১৫ চনৰ ছেপটিমবাৰ মাহত ম্যাভেৰিক নামৰ এখন জাৰ্মান জাহাজে কঢ়িয়াই অনা অস্ত্ৰশস্ত্ৰ আনিবলৈ তালৈ গৈছিল আৰু এই বাতৰি পাই বৃটিছে বাঘাযতীনক তাতেই গুলীয়াই মাৰিছিল।

বাণিজ্যকেন্দ্ৰ বালেশ্বৰৰপৰা সাগৰপৰীয়া সৰু চহৰ এখন চণ্ডীপুৰ বা চাঁদিপুৰ। সাগৰত ভাটা হ'লে এই ঠাইৰ-পৰা পাঁচ কিল'মিটাৰ বিয়পা সাগৰ-বালি দৰ্শকৰ দৃষ্টিৰ আগত উন্মুক্ত হয়। জোনাক ৰাতি এই বালি অপাৰ্থিৱ যেন লাগে, আৰু সেইহে চণ্ডীপুৰ বা চাঁদিপুৰক *ৰূপোৱালী জোনাকৰ ৰূপনগৰ* বুলিও কোৱা হয়।

পাৰাদীপৰ সাগৰবালিত কণী-জগোৱা কাছৰ সমদল

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

মহাসৰ্পপুৰীকথা

সহস্ৰ সহস্ৰ বছৰৰ আগৰ কথা। বিদেহপুৰ ৰাজ্যৰ বিলসন নামৰ গাঁৱত এগৰাকী অতি উচ্চখাপৰ ভাস্কৰ-শিল্পকাৰ আছিল। এই মহান ভাস্কৰে বহুতো জাকজমকীয়া অট্টালিকা নিৰ্মাণ কৰি কেৱল জগততে নহয়—ত্ৰিজগৎ খ্যাত হৈছিল।

সেই কালত, নাগলোকত নাগৰাজৰ প্ৰাসাদ ভূঁইকঁপৰ ফলত বিনষ্ট হৈছিল। এই প্ৰাসাদ পুনঃনিৰ্মাণৰ বাবে নাগলোকৰ অধিপতি নাগৰাজে ভূলোকৰ মহাশিল্পী মহান ভাস্কৰলৈ আমন্ত্ৰণ জনাবলৈ স্থিৰ কৰি ভূলোকলৈ দূত প্ৰেৰণ কৰাত ভাস্কৰ নাগলোকলৈ গ'ল।

অত্যল্প কালতে নাগৰাজ আৰু ভাস্কৰ মহান বন্ধুতাৰ ডোলেৰে আবদ্ধ হৈ পৰিল। নাগৰাজৰ পত্নী নাগৰাণীয়েও ভাস্কৰক সহজেই আপোন কৰি ল'লে, পৰিয়ালৰে এজন কৰি ল'লে। মহাশিল্পী মহান ভাস্কৰে নাগলোকত থাকি যাতে কোনো ধৰণৰ অসুবিধা নাপায়—নাগৰাজ-নাগৰাণীয়ে তাৰ প্ৰতি সদা-সৰ্বক্ষণেই দৃষ্টি দিবলৈ ধৰিলে।

নাগৰাজৰ প্ৰাসাদ নিৰ্মাণৰ কাম চলি থাকিল। বহুদিনৰ অন্তত এদিন ভাস্কৰৰ মনত তেওঁৰ মাতৃক আৰু পত্নীকো চাই অহাৰ ইচ্ছা জাগিল আৰু কথাটো ভাস্কৰে নাগৰাজক ক'লে।

ভাস্কৰৰ কথাৰ উত্তৰত নাগৰাজে একো নোকোৱাত ভাস্কৰে নাগৰাজক সুধিলে, "ৰাজন্, আমাৰ গাঁৱৰ পৰিস্থিতি কি—কিবা প্ৰকাৰে জানি লৈ মোক ক'বানে?"

"এই বিষয়ে — পোনে গুঁছিয়ে ডুব মাৰিবলৈ নিবিচাৰোঁ মই। তোমাৰ গাঁৱত—তথা সেই অঞ্চলত ভয়ানক খৰাং বতৰে কোবাই গৈছে, তাত আকালে মূৰ দাঙিছে।"

নাগৰাজে ক'লে, "তুমি তাত বৰষুণ নমাব নোৱাৰানে?"

"নোৱাৰোঁ।"

নাগৰাজে ক'লে, "নিয়ম-বিৰুদ্ধ কাৰ্য্য কৰিব নাপায়, প্ৰকৃতিৰ নিয়মৰ বিৰোধিতা কৰিব নাপায়। ক'ত কাহানি খৰ হ'ব, ক'ত কেতিয়া

'পঁচিছ বছৰৰ আগৰ চান্দমামাত প্ৰকাশিত কাহিনী'

বান—তাৰ নিৰ্দ্ধাৰণ বহু আগতেই হৈ থাকে। গতিকে—সেই নিয়ম মই ভংগ কৰাটো অনুচিত-অন্যায় হ'ব। তোমালোকৰ অঞ্চলৰ খৰাং বতৰ কমেও শত দিৱসব্যাপী চলি থাকিব।"

"হে নাগৰাজ, মোৰ প্ৰাৰ্থনা, মোক এটি বাৰলৈ মোৰ গাঁৱলৈ যাবলৈ অনুমতি দিয়াঁ। মোৰ পৰিয়ালৰ, মোৰ গাঁৱৰ মানুহ-মুনিহ হয়তো খাবলৈ নাপাই পিবলৈ নাপাই মৰিছে, তেওঁলোকৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছে।" মহাশিল্পী ভাস্কৰে নাগৰাজৰ ওচৰত আখোনে জ্ঞাপন কৰিলে।

"হাৰে চেৰা-বলিয়াটো, কিয়নো এইদৰে ভাবি ভাবি মনোকষ্ট পাইছা? আমাৰ প্ৰাসাদ নিৰ্মাণ সমাপ্ত কৰাঁ, চাবা, তোমাক মই কিমান ধন-সোণ দিওঁ। তাৰে তুমি তোমাৰ জীৱনৰ বাকী কালছোৱা এগৰাকী ৰজাৰ দৰেই কটাব পাৰিবা।" নাগৰাজে ভাস্কৰক ক'লে।

"মোক ৰাজসুখ নালাগে, লাগে মাথোন বৰষুণ। আমাৰ গাঁৱৰ সকলোকে বৰষুণহে লাগে। ভাবিচোৱা, তোমাৰ প্ৰজা-ৰাইজ যদি খৰৰ কাৰণে আকালৰ গৰাহত পৰে—তুমি চুপচাপ হাত-সাৱটি বহি থাকিবানে?" মহাশিল্পী ভাস্কৰে দুঃখাৰ্ত কণ্ঠেৰে নাগৰাজক সুধিলে।

কিয় তুমি এনেকৈ পেনপেনাইছাহে? এতিয়া তোমাক মই নাগৰাজ্য এৰি যাবলৈ দিব নোৱাৰোঁ।" নাগৰাজে ক'লে।

"কিন্তু মই যামেই—যাব লাগিবই। আমাৰ গাঁৱৰ খবৰ, মোৰ পৰিয়ালখনৰ খা-খবৰ মোক লাগিবই।"

"কৌন হ্যায় — ? ইয়াক বন্দী কৰি কাৰাগৰাত ভৰাই থোৱা।"

নাগৰাজৰ আদেশ পোৱামাত্ৰেই প্ৰহৰীহঁতে ভাস্কৰক চাৰিওফালৰপৰা আগুৰি ধৰিলে।

"এতিয়া কোৱাঁ, মোৰ প্ৰাসাদৰ কাম সম্পূৰ্ণ কৰিবানে নকৰা?" নাগৰাজে ভাস্কৰক সুধিলে।

"তুমিও কোৱাঁ, আমাৰ গাঁৱত বৰষুণ দিবানে নিদিয়া?" ভাস্কৰেও ভেৰ্মেঠ পাতিলে।

"বৰষুণ নমোৱা যে সম্ভব নহয়—সেই কথা তোমাক ক'লোঁৱেই।" নাগৰাজে ক'লে।

"তেনেহ'লে—প্ৰাসাদ নিৰ্মাণো যে সম্ভৱ নহয় — সেই কথা তোমাক কৈছোঁ, তাৰ ফলত যি হয় হওক।" ভাস্কৰেও ক'লে।

"ইয়াৰ মূৰ—"

ইমানলৈকে কৈয়েই নাগৰাজে ৰৈ দিলে। হঠাৎ নাগৰাজৰ মূৰত এটা চিন্তাই বাহ ল'লে যে—এই ভাস্কৰৰ মূৰ কাটি পোলালে, বা

কাৰাগাৰত ভৰাই থ'লেও প্ৰাসাদ-নিৰ্মাণৰ কাম আধৰুৱা হৈ থাকিব। সেইহে তেওঁ প্ৰহৰীহঁতক ক'লে, "এওঁক এৰি দিয়া।"

কিন্তু তথাপি ভাস্কৰৰ অন্তৰ শান্ত নহ'ল। নাগৰাজে তেওঁক নাগলোক এৰি ক'লৈকো যাবলৈ অনুমতি নিদিব। তেওঁৰ মৰমৰ গাঁওখনক আকালে নাশ কৰি পেলাব, মাতৃ আৰু পত্নীকো নিশ্চয় আকালে তাৰ মুখ-গহ্বৰত গ্ৰাসিব। এইবোৰ কথা ভাবি ভাবি মহাশিল্পী এসময়ত অৱশহেন হৈ বহি পৰিল। আৰু — তাৰ পাছত নাগৰাজ তাৰপৰা গ'লগৈ।

আৰু ঠিক তেতিয়াই প্ৰাসাদৰ এক প্ৰধান স্তম্ভলৈ অকস্মাৎ তেওঁৰ চকু পৰিল।

মহাশিল্পী ভাস্কৰ তৎক্ষণাৎ উঠি থিয় হ'ল, আৰু কৰতেৰে সেই মহা সৌন্দৰ্য্যমণ্ডিত স্তম্ভ কাটিবলৈ ধৰিলে।

এই দৃশ্য দেখা পাই স্তম্ভিত নাগৰাজ দৌৰি দৌৰি আহি থাকিল আৰু চিঞৰি চিঞৰি কৈ থাকিল, "ৰ'বা — ৰ'বা ! মোৰ প্ৰতি সদয় হোৱাঁ। এই কাম নকৰা !"

"তেনেহ'লে — আমাৰ গাঁৱত বৰষুণ নমোৱা।" শিল্পীয়ে ক'লে।

"বাৰু, নমাম বৰষুণ।" নাগৰাজে বাধ্যত পৰি সন্মতি দিলে।

"কিন্তু সঁতাধৰা নালাগে। খৰাং আৰু বান — নাশ কৰাত সমান। জোখে-জোখাৰে বৰষুণ লাগে।" মহাশিল্পী ভাস্কৰে নাগৰাজক ক'লে।

নাগৰাজে ক'লে, "তোমাক যি যেনেকৈ লাগে—দিয়া হ'ব। কিন্তু তুমি আমাৰ এই আধৰুৱা হৈ থকা প্ৰাসাদ সম্পূৰ্ণ কৰাঁ।"

নাগৰাজে এই কথা ফটফটীয়াকৈয়েই উপলব্ধি কৰিব পাৰিছিল যে — সাজোঁতাই সাজিবও পাৰে, ধ্বংসও কৰিব পাৰে। সৃষ্টি আৰু ধ্বংস—সৃষ্টিকাৰীৰ অধিগত বিষয়।

মহাশিল্পী ভাস্কৰে ক'লে, "ঠিক আছে, তুমি পানী দিয়া, মই তোমাক প্ৰাসাদ দিম। চাবা, যি-

প্ৰাসাদ মই সাজি দিম, আনকি দেৱৰাজ ইন্দ্ৰৰ গাতো পোৱণি উঠিব সেই প্ৰাসাদ চাই।"

নাগৰাজে বিশেষ বস্ত্ৰেৰে মহাশিল্পী ভাস্কৰক ঢাকি দিলে, আৰু ক'লে, "তুমি তোমাৰ গাঁৱৰ অৱস্থা, তোমাৰ পৰিয়ালৰ অৱস্থা নিজ চকুৰে চাই আহাঁগৈ। চাই আহাঁগৈ, যে — তাত বৰষুণ নামিলনে নাই।"

ভাস্কৰে চকুৰ পচাৰতে ভূলোক পালেহি। আৰু নিমিষতে পালেহি নিজ গাঁও। তাত তেতিয়া দোপালপিটা বৰষুণ। গাঁৱৰ মানুহ-মুনিহ মহা আনন্দৰে সেই বৰষুণত তিতিছে, নাচিছে, গীত গাইছে। মহাশিল্পী ভাস্কৰে তেওঁৰ গাঁওবাসীক, মাতৃক-পত্নীকো দেখা পাই হৰিষ-বিৰিষ কৰিবলৈ ধৰিলে। কিন্তু সেই হৰিষতো কিঞ্চিত বিষাদ মিলিল, কিয়নো, মহাশিল্পীয়ে সকলোকে চিনি পালে, যদিও মহাশিল্পীক গাঁৱৰ কোনেও — আনকি তেওঁৰ মাতৃয়ে বা পত্নীয়েও চিনি নাপালে। কিয়নো—নাগৰজে মহাশিল্পীক এক মহাসৰ্পৰূপেহে বিলঝন গাঁৱলৈ পঠাইছিল।

গাঁৱৰ ৰাইজে ইমান ডাঙৰ-দীঘল সাপডাললৈ চাই অবাক মানিলে। ইমান ডাঙৰ সাপ হ'ব পাৰে বুলি তেওঁলোকে কল্পনাও কৰিব পৰা নাছিল।

"এই মহাসৰ্পয়েই নিশ্চয় বৰুণ-দেৱতা। বৰুণ-দেৱতায়েই মহাসৰ্পৰ ৰূপ ধৰি আমাৰ গাঁৱলৈ, তথা খৰে কোবাই যোৱা সমগ্ৰ অঞ্চললৈ বৰষুণ কঢ়িয়াই লৈ আহিল। আমি এই মহাসৰ্পৰ বাবে মন্দিৰ সাজিম আৰু এওঁক তাতেই পূজিম।" গাঁৱৰ ৰাইজে ক'লে।

নাগলোকলৈ পুনৰ উভতি গৈ মহাসৰ্পৰূপী মহাশিল্পী ভাস্কৰে নাগৰাজক ক'লে, "তুমি মোক সৰ্পৰূপে মোৰ গাঁৱলৈ পঠালা, মই যদিও সকলোটিকেই চিনি পালোঁ, মোক কোনেও চিনি নাপালে। এই কাৰ্য্য অন্যায় হৈছে।"

"শুনা, মোৰ কথাত মই ৰ'লোঁ, এতিয়া তোমাৰ পাল। তুমি তোমাৰ কাৰ্য্য সম্পূৰ্ণ কৰাঁ, মই তোমাক সসন্মানৰে মহাশিল্পীৰূপেই তোমাৰ গাঁৱলৈ পঠাই দিম।" নাগৰাজে মিঠাকৈ হাঁহিৰে ভাস্কৰক ক'লে।

মহাশিল্পী ভাস্কৰে প্ৰসাদ-নিৰ্মাণৰ কাৰ্য্য সম্পূৰ্ণ কৰিছিল আৰু নাগৰাজেও অপাৰ-অপৰিমেয় ধন-সোণৰে সৈতে মহাশিল্পীক স্বৰূপতে তেওঁৰ গাঁৱলৈ প্ৰেৰণ কৰিছিল।

পাছত গাঁৱৰ ৰাইজে মহাশিল্পীৰপৰা নাগলোকত ঘটা ঘটনাৰ কথা শুনি গাঁৱৰ নাম সলাই ৰাখিছিল—মহাসৰ্পপুৰী।

THEY STOOD UP TO THE BRITISH!

1

মিৰ কাশ্বিম

STORY : MEERA UGRA
PICTURES : GOUTAM SEN

১৭৫৭ চনৰ ২৩ জুনৰ দিনা বঙ্গদেশৰ পলাশীৰ যুদ্ধত বৃটিছ তথা ইংৰাজ জিকিল। আৰু তাৰ পাছৰেপৰাই ইংৰাজে, তথা ইস্ট ইণ্ডিয়া কম্প্যানিয়ে বঙ্গত ৰজা-পতা ৰজা-খেদাৰ কামত লাগি পৰিল। পোনতে ইস্ট ইণ্ডিয়া কম্প্যানিয়ে মিৰ জাফৰক বঙ্গৰ নৱাব পাতিছিল। এই মিৰ জাফৰ নামৰ চুবাদাৰে নৱাব ছিৰাজদ্দৌলাৰ সৈতে বিশ্বাসঘাতকতা কৰি পলাছীৰ যুদ্ধত ইংৰাজক জিকাইছিল, আৰু তাৰ পুৰস্কাৰস্বৰূপে ইংৰাজৰেপৰা বঙ্গৰ মছনদত বহিছিল। কিন্তু মিৰজাফৰে টিকা পাৰি বহোঁতে-নৌ-বহোঁতেই ইংৰাজে মিৰ জাফৰৰ জোঁৱায়েক স্বাধীনচিতীয়া মিৰ কাশ্বিমক বঙ্গৰ নৱাব পাতিলে।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997/22.

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997/3

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

৪০

কীচক পাছদিনা বেলিয়ে ভুমুকিউৱাৰ আগে আগেই ৰাজপ্ৰাসাদলৈ আহিল আৰু আহিয়েই সৈৰিন্ধ্ৰীৰূপিণী দ্ৰৌপদীক ক'লে, "মোৰ পৰাক্ৰম তুমি দেখিলাই নহয়—? কালি পৰিপূৰ্ণ ৰাজসভাত তোমাক মই গুৰিয়ালোঁ চুলিৰ মুঠিত ধৰি আঁজুৰিলোঁ—কোনেও মোৰ বিৰুদ্ধে টুঁ শব্দ এটাও কৰিব পাৰিলেনে ? বিৰাটৰজা—নামতহে ৰজা, কামত মই। ওঁ, মইহে আচল ৰজা। সমস্ত সেনা মোৰ অধীনত। মই সিহঁতক যি আদেশ কৰিম, সিহঁতে তৎমুহূৰ্ততেই সেই আদেশ পালন কৰিব। মই আদেশ কৰিলে—সিহঁতে আনকি বিৰাটৰজাকো বন্দী কৰিব। সিহঁতেও জানে—প্ৰকৃত ৰজা কোন। —পিছে আচলি ৰজা হৈও মোৰ অন্তৰত শান্তি নাই—তোমাক হৃদয়ৰ ৰাণী নকৰালৈকে মোৰ ক্ষান্তি নাই। তুমি — মোৰ যা আছে যি আছে সৰ্বস্ব লোৱাঁ, কেৱল মোৰ হৃদয়ৰ ৰাণী হোৱাঁ। দাসীবৃত্তি তোমাৰ কাম নহয়, তোমাকহে মই দাস-দাসী দিম, আৰু তুমি স্বৰ্ণপালঙ্কত ফুল হৈ শুই থাকিবা নিশিদিন — ।" এইদৰে কীচকে বাইলুং কোবাই থাকিল।

তেতিয়া ভীমে শিকাই দিয়ামতে দ্ৰৌপদীয়ে কীচকক ক'লে, "তুমি যদি সঁচাসঁচি মোকেই হৃদয়ৰ ৰাণী কৰিবা, মোৰ চৰ্তও আশা কৰোঁ—মানিবা।"

"কি সেই চৰ্ত—?" আশাৰে উজ্জীৱিত হৈ উঠি কীচকে সুধিলে।

"আমাৰ মিলন অতি সংগোপনে — অত্যন্ত গুপ্তভাৱে হ'ব লাগিব, কাকপক্ষীয়েও গম পাব নালাগিব। আৰু—মই—আমাৰ মিলনৰ বাবে যিস্থান নিৰ্বাচন কৰিম—সেই ঠাইলৈ—মাত্ৰ সেই ঠাইলৈ আহিব লাগিব।" দ্ৰৌপদীয়ে কলিৰ নাৰকী-কীচকৰ কাণ কাটি

'কীচক-বধ'

ইয়াত ৰৈ নাথাকিবা, এতিয়া যোৱাগৈ, ৰাতিৰ পৰতে মনে মনে মেকুৰীৰ দৰে আহিবা।"

নধৰ-নপৰ লাগি কীচক যেতিয়া গুচি গ'ল, দ্ৰৌপদীয়ে ৰান্ধনিশাললৈ গৈ বল্লভ—ৰান্ধনিৰূপী ভীমক সকলো কথা ক'লেগৈ।

ভীমে দ্ৰৌপদীক ক'লে, "তাক লুকাই-চুৰকৈ বধকৰাৰ আৱশ্যকতা কি ? মই তাক প্ৰকাশ্যেই বধিম, তাৰ হাড় চূৰ্ণ কৰিম। আৰু তাৰ পাছত—দুৰ্য্যোধনকো তেনেকৈ বধিম, আৰু ধৰ্মৰাজক বিৰাটৰাজ্যৰ ৰজা পাতিম।"

দ্ৰৌপদীয়ে ভীমক ক'লে, "এইবোৰ কাৰ্য্য এতিয়া নকৰিবা, আজি আমাৰ আগৰ আঁচনিমতেই কীচকক বধিবা।"

আৰু দ্ৰৌপদীৰ কথা মানি লৈ সেই নিশা ৰান্ধনি বল্লভৰূপী ভীম নৃত্যশালাৰ নিকপকপ এন্ধাৰত মানৱকুলকলংক কলিয়ে পোৱা কীচকলৈ ৰৈ থাকিল।

তাল বজাবলৈ লালসাৰ টোপ দিলে।

"তোমাৰ চৰ্ত বিনাপ্ৰশ্নে মানি লৈছোঁ। তোমাৰ সৈতে মিলনৰ বাবে য'লৈকে মাতিবা ত'লৈকে যাম।" কীচকে সুধিলে, "কোৱাঁ, ক'লৈ যাব লাগিব।"

"এহি ৰাজভৱনৰ—নৃত্যশালালৈ। ৰাতিৰ পৰতে তাত কোনো নাথাকে, নৃত্যশালা একেবাৰে নিমাওমাও হৈ থাকে। মাজনিশা—কোনেও নেদেখাকৈ তালৈ আহিবা, মই তাতেই পালেঙত শুই থাকিম। কিন্তু চাকি-তাকি নজ্বলাক, এন্ধাৰবো পোহৰ আছে—সেই এন্ধাৰৰ পোহৰতে মিলিবাহি। — মোৰ গন্ধৰ্ব পতিসৱে কথাটো গম পালে কিন্তু সৰ্বনাশ হ'ব। গতিকে—যথোচিত সাৱধানতা অৱলম্বন কৰিবা।" দ্ৰৌপদীয়ে ক'লে, "এতিয়া আৰু

মাজনিশা—মনে খনা পুখুৰীত পানী খাবলৈ মৰিবৰ ঔষধ গলত বান্ধি লৈ তপিনাত গোৰ লগাই কলিৰ নাৰকী কীচক হাতত সাৰে ভৰিত সাৰে মৰণগুহাৰূপী নিজম নৃত্যশালালৈ সোমালহি।

সেই ডাঠ অন্ধকাৰৰ মাজতো সুসজ্জিত পালেঙৰ লৰণু কোমল শয্যাত কামুক কীচকে শাড়ী পিন্ধা একতীয়া হৈ শায়িতা দ্ৰৌপদীক দেখা পালে। আচলতে—শাড়ী পিন্ধি স্বয়ং ভীমেই শুই আছিল। কীচকে শুন-নশুনকৈ কৈ থাকিল, "আমাৰ সুন্দৰী লিগিৰীহঁতে মোক অতুল-সুন্দৰ পুৰুষসিংহ বুলি কয়। তথাপি, অ'মোৰ চকুৰ পুতলী হৃদয়ৰ ৰাণী—তোমাৰ

কাৰণে–তোমাৰ নিৰ্দেশ মানি—মই সিংহই মেকুৰীহেন হৈ মনে মনে আহিলোঁ।”

শাড়ীপিন্ধা ভীমে নাৰী-কণ্ঠেৰে ক'লে, “তুমি সঁচাকৈয়েই অতুল-সুন্দৰ—নিঃসন্দেহে সঁচা। কিন্তু এতিয়া যি স্পৰ্শ লভিলা—জীৱনতো আৰু এনেহেন স্পৰ্শ লভিছিলানে?” এই বুলি কৈয়েই সৈৰিন্ধ্ৰী তথা দ্ৰৌপদীৰূপী ভীম শোৱাৰপৰা উঠি বহিল, আৰু কীচকপ্ৰেমিকক আঁকোৱালি ল'বলৈ দুখোজমান আগুৱাই গ'ল।

আৰু মুহূৰ্ততে কীচকে বুজি পালে যে—এই বাহু-বন্ধন প্ৰেমৰ নহয়, যমৰ!

প্ৰেমৰ লীলা কৰিবলৈ আহি যে মৰিবৰ গল-বাঁহ আঁৰি লৈছে–সেই গূঢ় কথাটি এক মুহূৰ্তেতে কীচকে বড়িয়াকৈ বুজি পাই যমৰূপী ভীমৰ বজ্ৰ-বন্ধনত ছটফট কৰি থাকিল।

কীচকে বহু চেষ্টাৰে ভীমৰ লৌহবাহুৰ বজ্ৰবন্ধনৰপৰা নিজক মুহূৰ্তমানৰ বাবে মুক্ত কৰিলে, আৰু তাৰ পাছত সেই পলাই যাবলৈ ফেঁটীৰ মূৰ ছিঙা লৰ ধৰিবলৈ চেষ্টা কৰাত ভয়ংকৰ ভীমে তাৰ চুলিকোচাত থাপ মাৰি ধৰি টানি আনি তললৈ বগৰাই পেলাই তাৰ বুকুত দমাদ্দম গুৰিয়াবলৈ ধৰিলে। আৰু তাৰ পাছত ভীমে কলিৰ নাৰকী কীচকক শূন্যলৈ দাঙি ধৰি নৃত্যশালাৰ সিমূৰলৈ জোৰেৰে দলিয়াই পেলোৱাত কীচকৰ তৎক্ষণাৎ মৃত্যু হ'ল।

আনকি মৃত কীচকক ভীমে যথেচ্ছভাবে গুৰিয়াই ভুকুৱাই থাকিল, আৰু তাৰ হাত-ঠেংবোৰ ভাঙি ভাঙি তাৰ পেটৰ ভিতৰলৈ সুমুৱাই দিলে। মৃত কীচক দেখাত এটা ডাঙৰ কাছৰ দৰে হৈ পৰিল। আৰু তাৰ পাছত—কীচকক কাছৰ দৰে মাংসপিণ্ড হেন বনাই দিয়াৰ পাছত—ভীম পুনৰ ৰান্ধনিশাললৈ যোৱাৰ আগতে দ্ৰৌপদীক কৈ গ'ল,” তোমাৰ প্ৰতি কুনজৰ দিয়াহঁতৰ নছিবত এয়ে হ'ব একমাত্ৰ প্ৰাপ্য।”

দ্ৰৌপদীয়ে নৃত্যশালাৰ পৰীয়াহঁতৰ নিদ্ৰাভংগ কৰিলে আৰু ক'লে, “গন্ধৰ্বসকলে কীচকক বধিলে। যোৱা, চাই আহাঁগৈ।”

পৰীয়াহঁতে জোঁৰ জ্বলাই লৈ নৃত্যশালাৰ ভিতৰলৈ গৈয়েই আৰ্তনাদ কৰি উঠিল, আৰু কীচকৰ কিম্ভূতকিমাকাৰ দেহ দেখি কেইজনমান পৰীয়া অচেতন হৈ বাগৰি পৰিল। এই মৃতদেহৰ হাত, পাও আৰু মূৰ যে ক'ত—তাৰ কোনো চিন-মোকামেই নাছিল।

উৱাই ৰাতি পুৱাই গ'ল, আৰু লগে লগে

কীচক-বধৰ বাতৰি বনাগ্নিৰ দৰে বিয়পি পৰিল। কিছুমান কীচক-বন্ধুৱে কোৱাকুই কৰি থকা শুনা গ'ল : এই লোণ-পাত চেলেকা লিগিৰীজনীৰ কাৰণেই আমাৰ মান্যমান বলৱান কীচকদেউ মৰিল । গতিকে—এই সৈৰিন্ধ্ৰী বোলাজনীকো কীচকদেউৰ লগতে একেই চিতাত পুৰি মাৰিব পাৰিলে তেওঁৰ আত্মাই শান্তি লভিব ।" এই বুলি কৈয়েই কীচক-বন্ধুহঁতে দ্ৰৌপদীক কীচকৰ কিম্ভূতকিমাকাৰ মৃতদেহৰ সৈতে কটকটীয়াকৈ বান্ধি মৰিশালিলৈ বুলি লৈ যাবলৈ ধৰিলে।

দ্ৰৌপদীয়ে পাণ্ডৱসৱৰ ছদ্মনাম—জয়, জয়ন্ত, বিজয়, জয়সেন, জয়দচল—কাঢ়ি চিঞৰি চিঞৰি মাতিবলৈ ধৰাত ভীমে চিঞৰি কৈ থাকিল, "সৈৰিন্ধ্ৰী—ভয় নকৰিবা, মই আহিব ধৰিছোঁ সৈৰিন্ধ্ৰী—তুমি ভয় নকৰিবা!"

বল্লভৰূপী ভীমে বিৰাট বিৰিখ এজোপা উঘালি লৈ বিজুলীগতিৰে লৰৰি গৈ থাকোঁতে কীচক-বন্ধু তথা শ্মশানযাত্ৰীহঁতে ভীমক গন্ধৰ্ব বুলি ভাবি—মহাবিপদ গমি তৎ নোপোৱা হ'ল, সিহঁতক যেনিবা থালী ভগা জুয়ে খেদি জুৰুলা কৰা হ'ল, আৰু আটাইবিলাকেই মৰোঁ-জীওঁ সোঁ আধিকৈ ফেঁটীৰ মূৰ ছিঙা লৰ দিলে । কিন্তু মহাবলী ভীমে সেই বিৰাট বিৰিখেৰে আটাইবিলাক কীচক-বন্ধুকে মাৰি পেলালে।

তাৰ পাছত ভীমে দ্ৰৌপদীক বন্ধনমুক্ত কৰি ক'লে, "এতিয়া আৰু চিন্তা নাই । নিঃচিন্তমনেৰে অন্তেষপুৰলৈ যোৱা ।"

এই ভয়ংকৰ ঘটনা আন কিছুমানেও দেখা পাইছিল, সিহঁতে হেঁপাই-ফোঁপাই ৰাজসভা পাই বিৰাটৰজাক ক'লেগৈ, "মহাৰাজ, গন্ধৰ্ব এটাই সৈৰিন্ধ্ৰীক মুক্ত কৰিলে। সৈৰিন্ধ্ৰী উভতি আহিব ধৰিছে । এই সৈৰিন্ধ্ৰীৰপৰা আৰু অপায়-অমঙল হোৱাৰ আগতেই কিবা এটা উপায় কৰক।'

বিৰাটৰজাই মহাৰাণী সুদেষ্ণাক ক'লেগৈ, "সৈৰিন্ধ্ৰী যেতিয়াই উভতি আহিব, তুমি মুখৰ মেহাৰেৰে তাইক সেও কৰি অন্তেষপুৰৰপৰা উলিয়াই দিবা । তাইৰ কাৰণে আনকি ময়ো অপমানিত—আনকি নিহতও হ'ব পাৰোঁ বুলি মোৰ ধাৰণা হৈছে। তাইক ক'বা যে—তাইক একো কোৱাৰ সাহস মোৰ নোহোৱা হ'ল বুলিহে তুমি তাইক কৈছা ।"

দ্ৰৌপদীক উভতি আহিবলৈ বহুতেই দেখা

পাইছিল, কিন্তু গন্ধৰ্বৰ ভয়তে সকলোটিয়েই ধাৰৰ নলকাঁপা দি আছিল, আৰু দ্ৰৌপদীৰপৰা তথা সৈৰিন্ধ্ৰীৰাৰো আঁতৰি থাকিছিল।

গৈ গৈ যেতিয়া দ্ৰৌপদী বিৰাটৰজাৰ ৰান্ধনিশাল পালেগৈ, তেতিয়া ৰান্ধনিশালৰ দুৱাৰৰ আগত মহাকায় ভীম দণ্ডায়মান হৈ আছিল। দ্ৰৌপদীয়ে হাত যুৰি ভীমলৈ নমস্কাৰ কৰি ক'লে, "মোৰ ৰক্ষক গন্ধৰ্বলৈ প্ৰণাম।"

দ্ৰৌপদীয়ে — তাৰ পাছত নৃত্যশালা পালেগৈ। তাত তেতিয়া বৃহন্নলাৰূপী অৰ্জুনে নৃত্যশিক্ষা দি আছিল। দ্ৰৌপদীক তথা সৈৰিন্ধ্ৰীক দেখা পাই ৰাজকুঁৱৰী সকল আৰু অৰ্জুনো দ্ৰৌপদীৰ ওচৰলৈ আহিল আৰু মহাবিপদৰপৰা ৰক্ষা পোৱাৰ বাবে দ্ৰৌপদীলৈ অভিনন্দন জ্ঞাপন কৰিলে।

অৰ্জুনে দ্ৰৌপদীক সুধিলে, "সৈৰিন্ধ্ৰী, তুমি কেনেকৈনো ইমান ভয়ানক বিপদৰ হাত সাৰিলা ? কীচক কেনেকৈ মৰিল ?"

"হে বৃহন্নলা, সেই কথাৰে তোমাৰনো কি ? তুমি নিজক লৈহে আছা, তোমাৰপৰা কোনো উপকাৰৰ আশা নাই। সৈৰিন্ধ্ৰী বাঁচিলনে মৰিল—তাৰো খবৰখাতি নল'লা, এতিয়া কুশল-মংগল সুধিছা।" দ্ৰৌপদীয়ে অৰ্জুনক ককৰ্থিলে।

তাৰ পাছত দ্ৰৌপদী অন্তেষপুৰলৈ গ'ল, আৰু তেতিয়া মহাৰাণী সুদেষ্ণাই দ্ৰৌপদীকে ক'লে, "সৈৰিন্ধ্ৰী, তোমাক আৰু তোমাৰ গন্ধৰ্ব পতিহঁতকো মহাৰাজে বৰ ভয় কৰা হৈছে। তুমি আন ক'ৰবালৈ যোৱাগৈ। তোমাৰ ৰূপৰাশি আনক কলুষিত কৰাৰ ৰূপৰাশি। আৰু—গন্ধৰ্বহঁতো অতি ক্ৰোধী।"

"মহাৰাণী !"

দ্ৰৌপদীয়ে মহাৰাণীক ক'লে, "আৰু মাত্ৰ তেৰটি দিনলৈ মোক থাকিবলৈ দিয়ক, তাৰ পাছত—চৌধ্যদিনৰ দিনাই মোৰ গন্ধৰ্ব পতিসৰে মোক ইয়াৰপৰা লৈ যাবহি।"





ইপিনে—মহাবলী কীচক-বধৰ বাতৰি দেশ-দেশান্তৰ পালেগৈ। আৰু এই বাতৰি দুৰ্য্যোধনৰ কাণতো পৰিলগৈ।

দুৰ্যোধনৰ গুপ্তচৰবিলাকে কত যে দেশত অজ্ঞাতবাসকাৰী পাণ্ডৱসৱক বিচাৰি ফুৰিলে, কিন্তু সিঁহতৰ সৰ্ব প্ৰচেষ্টায়েই ব্যৰ্থ হ'ল, পাণ্ডৱসকলৰ কোনো সা-সন্ধান সিহঁতে সহস্ৰ চেষ্টাতো উলিয়াব পৰা নহ'ল।

গুপ্তচৰবিলাকেই দুৰ্য্যোধনক—কোনোবা এজনী ৰূপহী লিগিৰীৰ কাৰণ মহাবলী কীচকৰ মৃত্যুৰ সম্বাদ প্ৰদানিলে, আৰু লগতে ইয়াকো ক'লে যে—পাণ্ডৱহঁতো নিশ্চয় মৰণতে শৰণ লৈছে। দুৰ্য্যোধনে ঘাৰুসৰা সভা এখনত বহি এই সম্বাদ শুনি আছিল। তেওঁ ক'লে, "কি যে কৰা উচিত—ভাবি উলিয়াব পৰা নাই। পাণ্ডৱৰ অজ্ঞাতবাসৰ কাল অতি শীঘ্ৰেই সমাপ্ত হ'ব। অজ্ঞাতবাস সমাপ্ত হোৱাৰ আগতে সিহঁতক ধৰা পেলাব পৰাহেঁতেন—বচনৱদ্ধ পাণ্ডৱহঁত পুনৰ দ্বাদশ বৎসৰকাল অৰণ্যবাসী হৈ কটাবলগীয়া হ'লহেঁতেন।"

কৰ্ণ, দুঃশাসন প্ৰমুখই জগতৰ চুকে-কোণে চোৰাংচোৱা মেলি দিয়াৰ পক্ষে মত প্ৰকাশিলে। দ্ৰোণই ক'লে যে—পাণ্ডৱসকল নিশ্চয় এতিয়াও জীয়াচই আছে। গতিকে—পাণ্ডৱৰ গতি-বিধিৰ সৈতে চা-চিনাকি থকা চোৰাংচোৱা দেশে দেশে পঠাব লাগে। সাধাৰণ চোৰাংচোৱা পঠাব নালাগে। ভীষ্মই ক'লে, "ধৰ্মৰাজে নিশ্চয় কোনোবা এখন সুশৃংখল দেশ অজ্ঞাতবাসৰ কৰাণে বাছি লৈছে। গতিকে—পাণ্ডৱক সুস্থ-সুশৃংখল তথা ধৰ্মপৰায়ণ কোনোবা দেশত বিচৰিব লাগে।"

কৃপাচাৰ্য্যয়ো ভীষ্মৰ মতামতলৈ সমৰ্থন জ্ঞাপন কৰিলে আৰু ক'লে, "ভীষ্মৰ কথা সত্য। আৰু—লগতে মোৰ পৰমৰ্শ হ'ল এয়ে যে—অজ্ঞাতবাসৰ কাল সমাপ্ত হোৱাৰ পাছত পাণ্ডৱে কৌৰৱৰ বিৰুদ্ধে নিশ্চয় ৰণ দিব। গতিকে—আমি নানান আলচ-বিলচত লিপ্ত হৈ কাল নকটোৱাকৈ সেই যুদ্ধৰ বাবে সাৰ্বিক প্ৰস্তুতি ল'ব লাগিব, আমাৰ সমৰ্থক যোগাৰ কৰাত মন দিব লাগিব। এতিয়াই এহি আঁচনি হাতত নল'লে পলমৰ পৰিণাম হয়তো আমি এতিয়া ভবাতকৈ ঢেৰ বেয়া হ'ব।"

এই কথা শুনি সকলোটিয়েই কৃপাচাৰ্য্যলৈ ঘূৰি চালে। চালে—স্বয়ং দুৰ্য্যোধনেও। [আগলৈ

বাতৰিৰ সাতে সৰী

স্পাইডাৰম্যানৰ কথা আৰু আশ্চৰ্য্য কাহিনী নিশ্চয় বহুতেই শুনিছে, পঢ়িছে, দেখিছে। হেলাৰঙে দেৱাল-বগোৱা, ওখতকৈয়ো ওখ অট্টালিকাৰ মূৰলৈ বিচৰণ কৰা আদি স্পাইডাৰম্যানৰ পক্ষে কেঞা আঙুলিৰ কাম। কিন্তু এই স্পাইডাৰম্যান—আচলতে কমিকছত আছে, বোলছবিতো আছে, কিন্তু বাস্তৱত—? আছেনে ? শুনিছে বহুতে ; দেখিছেনো কিমানে ? কোনে ? সদ্যহতে—কেৱল ৰাজ্যত এগৰাকী বাস্তৱৰ স্পাইডাৰম্যানৰ সন্ধান মিলিল–যিজনে হেলাৰঙেই ওপৰত উক্তগাৰ নোম ডাল ডাল হৈ উঠা লণ্ডভণ্ড প্ৰচণ্ড কাণ্ডবোৰ বাস্তৱতে কৰিধৰি দেখুৱাব পাৰে, কৰে। এওঁৰ নাম ৰেভাৰেণ্ড ফাদাৰ ম্যাথু। তেওঁ তেওঁৰ চেমনীয়া বয়সত ক্যাৰাটেৰ যি প্ৰশিক্ষণ লৈছিল, ঘাইকৈ তাৰে সহায়ত উক্তকামবোৰ সহজেই কৰিব পৰা হৈছে। এচুকত এজনী মেকুৰী কেনেবাকৈ আটক হৈ পৰিছিল। মেকুৰীজনীক বঁচাবলৈ শই শই মানুহ গোট খাই শেহান্তৰত কেইবাখনো জখলাৰ সন্ধানলৈ ওলাইছিল যেতিয়া, তেতিয়া ৰেভাৰেণ্ড ম্যাথুৱে বাস্তৱ স্পাইডাৰম্যানৰ দক্ষতাৰে মেকুৰীজনীক আলফুলে তললৈ লৈ আহিছিল। তেনেহ'লে—স্পাইডাৰম্যান কেৱল কমিকছতে নাই, আমাৰ মাজতো আছে !

সোণালী দুৱাৰ-১৬-ৰ-উত্তৰ

ক'তবা...

১. কৰ্ণাটকৰাজ্যৰ বেলুৰ নামৰ ঠাইত থকা চেন্নেকেশৰ মন্দিৰত।

২. দক্ষিণ আমেৰিকাৰ পেৰু। ৩. পোল্যাণ্ডৰ ৱালিস্কা।

জন্তু-সাঁথৰ

১. পেঙ্গুয়িন ২. চিম্পাঞ্জি ৩. জল-তিমিঙ্গল ৪. কিবো ৫. উটচৰাই।

গল্প সাঁথৰ

খৰখেদাতে সি নিজৰ ছাইকেলখন এৰি থৈ আন এজনৰ ছাইকেল লৈ গুচি গৈছিল।

ঘূৰে মূৰ-সৰে ঘাম

১. এজোপা গছৰ নাম ২. বল ওপৰলৈ দলিয়াব লাগিব, তেতিয়া উভতি আহিব ৩. নেগুৰত ধৰি ওলমি দিব পৰা বান্দৰ এছিয়াত নাই ৪. সি পেন্সিল এডালেৰে লিখিছিল, "মোৰ বাঁও কাণ" ৫. থিয়-হোৱালৈকে বৈ আছিল ৬. দুবছৰীয়া দামুৰি ৭. বয়সত বাঢ়িব।

চান্দমামা
কোলাৰ কাকত
১০৭



শোভাময় ভাৰত

মির্জাপুৰৰ দলিচা

©1997 UBC Feature World. All rights reswrved

মির্জাপুৰত ঘোঁৰাবাগীত, ছাইকেলত, বা টাঙ্গাত, মটৰছাইকেলত, বা জীপত, আৰু কেতিয়াবা কেতিয়াবা—আনকি উটৰ পিঠিতো দলিচায়েই দলিচা দেখা পোৱা যায়। হাতে-বোৱা মির্জাপুৰী দলিচা কেৱল ভাৰততে নহয়, জগততো জনাজাত। কোৱা হয়, মির্জাপুৰৰ দলিচা-শিল্প-দৰাচলতে মিছৰৰপৰা পোৱা।

গঙ্গা নৈৰ দক্ষিণদিশস্থিত *মির্জাপুৰ ভাগোলি* অঞ্চলতহে হাতে-বোৱা দলিচা-শিল্পৰ পয়োভৰ। এই অঞ্চলৰ, বা সমগ্ৰ মির্জাপুৰৰে দলিচা-কাশ্মীৰৰ দলিচাৰ দৰে নহয়, পাৰস্যদেশীয় ধৰণৰ বুলিহে ক'ব পাৰি।

এইবোৰ দলিচা ৭/৫২, বা ৯/৬০ বুলি কোৱা হয়। ইন্দো-পার্শিয়ান নক্সাৰ দলিচা ঘাইকৈ ৯/৬০ ৰ হয়। এনেবোৰ দলিচাৰ মূল্য বৰ্গমিটাৰে প্ৰতি সাতশ টকাৰপৰা নশ টকা।

১৯৫১ চনত লণ্ডনৰ এক প্ৰদৰ্শনীত আমাৰ দেশৰ দলিচা-শিল্প প্ৰদৰ্শিত হৈছিল, আৰু তেতিয়াই ভাৰতৰ দলিচা-শিল্পৰ প্ৰতি ইউৰোপ-আমেৰিকাৰ দৃষ্টি আকৃষ্ট হৈছিল। এতিয়া ভাৰতীয় দলিচা প্ৰধানতঃ—জাৰ্মানি, ইংল্যাণ্ড, আমেৰিকা, অষ্ট্ৰেলিয়া আদি দেশলৈ ৰপ্তানি কৰা হয়।

ভাৰতৰ ৰাজৰ্ষি

জহ্নু

পুৰাণত লিখা আছে যে—ভগীৰথে গঙ্গাক নমাই আনোতে গঙ্গাৰ পানীয়ে এই মুনিগৰাকীৰ পঁজাটো বুৰাই পেলালত মুনিয়ে-কোপ কৰি গঙ্গাক পি-খাই পেলাইছিল ; পাছত ভগীৰথৰ কাবৌ-কাকূতিৰে কুমলি, এইগৰাকী মুনিয়ে-নিজৰ কৰঙন ফালি গঙ্গাক বাজ কৰি দিছিল।

জহ্নুঋষি আছিল প্ৰজামংগলকাৰী অতি ধৰ্মপৰায়ণ ৰজা। তেওঁ প্ৰজাক কোনো অভাৱ-অনাটনৰ মাজত নেপেলাইছিল, আৰু প্ৰজাসৱৰ অভাৱ-অনটনৰ বুজ ল'বলৈ সমগ্ৰ দেশত সদায়েই পৰিভ্ৰমণ কৰিছিল। প্ৰজাবৰ্গৰ সুখৰ মুখ দেখা পালে ৰাজৰ্ষি জহ্নু আত্মসুখ উপলব্ধি কৰিছিল।

এদিন নদীতটত বহি নদীৰ জলধাৰ নিৰ্বাধাই প্ৰবাহিত হোৱালৈ চাই চাই ৰাজৰ্ষি জহ্নুৱে ভাৱ-বিভোৰ হৈ ভাবিছিল : জীৱনৰ কালও নদীস্ৰোতৰ দৰেই বৈ যায়। জীৱনৰ এই সাদা-বৈ-যোৱা কাল নিঃশেষ হোৱাৰ আগতেই কৰ্তব্যকৰ্ম কৰাটোহে ধৰ্ম। এহি কৰ্মইহে মনুষ্যজন্মক সাৰ্থক-সদৰ্থক কৰি তুলিব পাৰে। প্ৰজাৰ হিতসাধন হ'ল এগৰাকী প্ৰকৃত প্ৰজামংগলকামী ৰজাৰ পৰম কৰ্তব্য। আৰু তেতিয়াহে প্ৰজাবৰ্গ সুখী হ'ব পাৰে। চুবুৰীয়া ৰাজ্যসমূহৰ ৰাজন্যবৰ্গও ধৰ্মপৰায়ণ, শান্তিপ্ৰিয়, আৰু সেইহে প্ৰজা-ৰাইজেও শত্ৰু-ভীতি নোহোৱাকৈ শান্তিপূৰ্ণ জীৱনৰ উম পোৱা হৈছে। এতিয়া—জীৱনৰ বিয়লি যোগসাধনাৰে আতিবাহিত কৰিলেহে উত্তম।

ৰাজৰ্ষি জহ্নুৱে পুত্ৰ বালকাশ্বৰ হস্তত ৰাজ্যভাৰ সঁপিলে আৰু যোগসাধনৰ বাবে হিমালয়লৈ গৈ তপস্যা কৰিবলৈ ধৰিলে। তেওঁ হিমালয় অঞ্চলৰ হৰিদ্বাৰত নিৰলা-নিৰ্জন পৰিসাৰ প্ৰদেশত তপস্যা কৰি অভাৱিত যোগ-শক্তি প্ৰাপ্ত হ'ল। এদিন তেওঁ পৰ্বতোপৰি দণ্ডায়মান হৈ প্ৰকৃতিৰ অপৰূপ ৰূপ নিৰীক্ষণ কৰি থাকোঁতে পৰ্বতৰ সুদূৰ উত্তৰ দিশৰপৰা এক বিৰাট জল-প্ৰবাহ ভীমগৰ্জনেৰে প্ৰবাহিত হৈ থকা দেখা পালে। অত্যল্প সময়তে এই বিৰাট জলপ্ৰবাহই পৰ্বত পাৰ হৈ ভৈয়ামৰ মাজেদি গতি ল'লে আৰু ভৈয়ামত থকা জহ্নুমুনিৰ কুটীৰ বুৰাই পেলালে। এই ঘটনাত অতিপাত ক্ৰুদ্ধ হৈ জহ্নুমুনিয়ে—তেওঁৰ তপোশক্তিৰে সম্পূৰ্ণ জলপ্ৰবাহক একে শোহাই পি-খালে।

এই বিৰাট জলধাৰায়েই আছিল ভগীৰথে তেওঁৰ পূৰ্বপুৰুষসকলক বিমুক্ত কৰাৰ বাবে ঘোৰ তপস্যাৰে প্ৰাপ্ত জলধাৰা। ভগীৰথে আপোন তপস্যাৰ শক্তিৰে স্বৰ্গৰপৰা এই জলধাৰা লৈ আহিছিল।

কিন্তু অপাৰ অপৰিমেয় আশ্চৰ্য্য তপোশক্তিৰ অধিকাৰী জহ্নুমুনিৰ কোপত পৰি পূৰ্বপুৰুষৰ গঙ্গাবিধৌত বিমুক্তিৰ আশা যেতিয়া নাইকিয়া হ'ল, তেতিয়া ভগীৰথে জহ্নুমুনিক কাবৌ-কাকূতিৰে পৰিতুষ্ট কৰিছিল আৰু ভগীৰথ কাকুবাদত কুমলি জহ্নুমুনিয়ে নিজৰ কৰঙন ফালি গঙ্গাৰ জলধাৰাক বাজ কৰি ভগীৰথৰ মনস্কামনা পূৰ্ণ কৰিছিল। এই কাৰণে গঙ্গাৰ আন এক নাম হ'ল *জাহ্নবী*।

জানন-মানন

অভিনৱ স্তম্ভ

1997 UBC Feature World. All rights reserved

গ্রেটাৰ মস্কোৰ ৱাস্টাংকিনোলোৰ মিনাৰ—অৰ্থাৎ পকী ওখ স্তম্ভৰ উচ্চতা হ'ল ৫২৩ মিটাৰ। এই স্তম্ভ ঠেকা বা আন কোনো ধৰণৰ অৱলম্বন নোহোৱাকৈয়েই নিৰ্মিত। এই বিস্ময়কৰ স্তম্ভৰ নিৰ্মাতা হ'ল এন.বি. নিকিতিফ। কংক্ৰিটেৰে সজোৱা এই স্তম্ভৰ ওজন হ'ল ৫৫০০০ টন। দৰ্শকসকল স্তম্ভৰ ৫০০ মিটাৰলৈকে লিফটেৰে লৈ যোৱা হয়। এই স্তম্ভৰ ৩৩৭ মিটাৰ উচ্চতাত এখন ৰেস্তৰাঁ তথা হোটেল আছে। আৰু আছে—টেলিস্কোপৰ আকৃতিৰ ছিলিণ্ডাৰ, লগতে শক্তিশালী এৰিয়েল।

কোবাল বতাহ বলে যেতিয়া, এই স্তম্ভ পাঁচ মিটাৰলৈকে হালি পৰে। জহকালি অতিপাত তপত হ'লে স্তম্ভৰ চূড়াৰ উচ্চতা কিঞ্চিতমান বাঢ়ে। উত্তাপে যেতিয়া ২০ ডিগ্ৰি ছেলছিয়াছ পায়গৈ, তেতিয়া এই অভিনৱ স্তম্ভৰ উচ্চতা আনকি ৫৪০ মিটাৰো হোৱা পৰিলক্ষিত হয়।

ৰাম-জখলা

নৌফুটোতে মাত চিত্ৰত হাত

1997 UBC Feature World. All rights reserved

বিংশ শতাব্দীৰ সুপ্ৰসিদ্ধ চিত্ৰকাৰ পাবলো পিকাছো ১৮৮১ চনত স্পেনদেশত জন্মগ্ৰহণ কৰিছিল। কোৱা হয়, পানী-কেঁচুৱাতে তেওঁ চিত্ৰাংকণৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল। তেওঁৰ মুখৰপৰা ওলোৱা প্ৰথম শব্দ আছিল—*লাপিজ* অৰ্থাৎ পেন্সিল। কোৱা হয়, তেওঁ খোজ দিবলৈ শিকাৰ আগতেই চিত্ৰ আঁকিবলৈ শিকিছিল। কিছুসংখ্যক মানুহে তেওঁ সাম্প্ৰদায়িক ধাৰাৰ চিত্ৰকাৰ হ'ব বুলি মত প্ৰকাশ কৰিছিল কিন্তু তেওঁ তেওঁৰ সমগ্ৰ জীৱনব্যাপী সাৰ্বজনীন চিত্ৰহে আঁকি থৈ গ'ল। এওঁৰ অৰ্থাৎ পাবলো পিকাছোই অঁকা অতি সৰল ৰেখা-চিত্ৰ আৰু অতি সামান্য ৰঙৰ প্ৰয়োগেৰে ভাৱোদ্দীপক চিত্ৰধাৰা মানৱ-সমাজত কিউবিস্ট চিত্ৰধাৰা ৰূপে খ্যাত আৰু সমগ্ৰ বিশ্বত আদৃত।

স্বাধীনতাৰ সুৱৰ্ণজয়ন্তীলৈ চান্দমামাৰ নৈবেদ্য

প্ৰথম স্বাধীনতা–সংগ্ৰাম



আগলি-পাত : ভাৰতৰ ৰজা-নবাবসকলৰপৰা বেহা-বেপাৰ কৰাৰ অনুমতি লভা ইংৰাজৰ ইস্ট ইণ্ডিয়া কম্প্যানি ক্ৰমাত শাসকৰ ৰূপত মূৰ দাঙিবলৈ ধৰিলে। ক্ৰমাত এদিন কৃপাপ্ৰাৰ্থী হৈ অহা সেই বণিজাৰেই হৈ উঠিল বাঘৰ ঢুলিয়ান। সিহঁতে ক্ষুদ্ৰ ভাৰতীয় ৰজাসকলৰ ওপৰত বান্ধ এৰি কুন্দা, কুন্দা এৰি বান্ধ দিয়াৰ কামত ইমানেই সফল হৈ উঠিল যে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰজাসকলে বাপ বাপ সুঁৱৰি এই ধূৰ্তহঁতৰ হাততে ধঁপাত হুপিবলৈ ধৰিলে আৰু এইদৰে নিজৰ আৰু সামগ্ৰিকভাৱে ভাৰতীয় জনগণৰ ওপৰত দুৰ্যোৰ অন্যায়ৰ বাট বহলাই হাঁহৰ ঠেঙত মহ বলি দি সাত ঘাটৰ চেঙলী এসময়ত ভৰিত ধৰি সোমোৱাহঁতকে মূৰত তুলি ল'লে, হাঁহৰ ওপৰত শিয়ালকে ৰজা হোৱাৰ সুৰুঙা উলিয়াই দিলে। ঝান্সীৰ মহাৰাজৰ কোনো সন্তান-সন্ততি নথকাতমৃত্যুমুখী পতিৰ অনুৰোধ মতে ৰাণী লক্ষ্মীবাঈয়েএক দত্তক পুত্ৰক গ্ৰহণ কৰিলে। কিন্তু হাঁহৰ ওপৰত শিয়ালৰজা বণিজাৰৰ ভেশত দেশ বেদখলকাৰী ইস্ট ইণ্ডিয়া কম্প্যানিয়ে ঘোষণা কৰিলে যেএই দত্তকপুত্ৰক কম্প্যানিয়ে ৰজা বুলি নামানিব, এই কাৰ্য্য হেনো আইন মতে—অবৈধানিক। আৰু এই সমিচাৰ পাই ৰাণী লক্ষ্মীবাঈ অগ্নিৱৎ জ্বলি উঠিল। পাছেকৈ...

ঝান্সীৰাজ্যৰ প্ৰজাসবে ৰাণী লক্ষ্মীবাঈক অপাৰ শ্ৰদ্ধা কৰিছিল, আৰু তেওঁ নাৰী হোৱা সত্বেও লক্ষ্মীবাঈৰ ছত্ৰছায়াত নিৰাপত্তা অনুভৱ কৰিছিল। প্ৰজাবৰ্গই ৰাজপ্ৰাসাদৰ কাষেদি যাওঁতে সদায় 'মহাৰাণী কী জয়' বুলি কৈছিল আৰু প্ৰাসাদমুৱা হৈ কৰ যুৰি তেওঁলোকৰ প্ৰাণ-ভোমোৰা ৰাণী লক্ষ্মীবাঈদেউৰালৈ নথৈ ভকতিৰে নমস্কাৰ জনাইছিল।

ইপিনে—ইস্ট ইণ্ডিয়া কম্প্যানিয়ে তলে তলে কাঁড় চাঁচিব ধৰিছিল, হুল দিছিল, নানান ধৰণে তামা-কাঁহা দেখুৱাইছিল, আকৌ লাগিলে তামোলো কাটিছিল, তামোল-পাণ দি মাতিছিল।

কিন্তু ৰাণী লক্ষ্মীবাঈ ইংৰাজ বণিজাৰ কম্প্যানিৰ এইবোৰ-এনেবোৰ ধূৰ্ততাৰে পৈণত ধুৰন্ধৰহঁতৰ কেতিয়াবা নৰম

কেতিয়াবা গৰম গা-চাই গামোছা যোগোৱাৰ কিটিপেৰে ভোল নগৈছিল। লক্ষ্মীবাঈ মহাৰাণীয়ে নিজস্ব পদ্ধতিৰে ঝান্সীৰ ঐতিহ্যবাহিতাৰে এই তৰচেঙেলী গৰুৱাগলা ৰামৰ খাই ৰাৱণৰ গীত-গোৱা নাও বুৰি তল পালেও টিঙৰপৰা ননমা শ-খোৱা শগুনহেন এই ইস্ বুলিলে বিষলগা ইংৰাজ-বণিজাৰহঁতক খেদিবলৈ দিনে-নিশাই নানান ধৰণে চিন্তি থাকিল।

আৰু ইমান চিন্তাৰ মাজতো প্ৰজাৰ মংগলচিন্তাই তেওঁক মুহূৰ্তৰ বাবেও এৰা নিদিছিল।

ৰাণী লক্ষ্মীবাঈ প্ৰায়েই মহালক্ষ্মীমন্দিৰলৈ গৈছিল। এদিন প্ৰাতঃকালতে দেৱী-দৰ্শনান্তে পুনৰ প্ৰাসাদলৈ গৈ থাকোঁতে তেওঁ কিছুমান প্ৰজাক প্ৰায় অৰ্দ্ধনগ্ন অৱস্থাত দেখা পাই বিচলিত হৈ থমকি ৰ'ল। এই মানুহ-মুনিহ ল'ৰা-বুঢ়াসকলৰ গাত জোখে-জোখাৰে শীতবস্ত্ৰ নথকাহেতুকে এওঁলোক হাড়-কঁপোৱা জাৰত ঠিৰঠিৰকৈ কঁপি আছিল। এই ঘটনাই ৰাণী লক্ষ্মীবাঈক বেদনাগধুৰ কৰি তুলিলে আৰু তেওঁ প্ৰসাদ পায়েই ৰাজ-পৰিয়ালৰ দৰ্জিক মতাই অনাই এক সহস্ৰ চোলা চিলাবলৈ আদেশ দিলে, আৰু পাছত সেইবোৰ দুখীয়াহঁতৰ মাজত বিলাই দিবলৈ বন্দৱস্ত কৰিলে।

প্ৰজামংগলৰ চিন্তা যদিও ৰাণীৰ প্ৰধান চিন্তা আছিল, তথাপি, বাঘৰ আগ তেল খোৱা তলঘুপীয়া ইংৰাজক খেদি সাগৰ পাৰ কৰি পঠোৱাৰ চিন্তাই তেওঁক দিনে-নিশাই খুলি খোৱাত অসহায়তাৰ চিকাৰ হৈ অপাৰক হৈ পৰিছিল।

ইপিনে — ইস্ট ইণ্ডিয়া কম্প্যানিয়ে তেতিয়া কেন্দ্ৰীয়াই সহস্ৰ ঠেং মেলাদি ঠেং

মেলি খোঁকা পাতি জোপ লৈ ৰৈ আছে— কেতিয়া কি হয় — ছেগ পালেই কৰিব আনৰ ৰাজ্য জয়। বলে-বুধিয়ে-ইংৰাজ তেতিয়া মহাশক্তিধৰ আৰু মহা ধূৰ্তেশ্বৰ।

ৰাণী লক্ষ্মীবাঈয়ে এমতাৱস্থাত প্ৰমাদ গণিলে। তেওঁৰ বিশ্বস্ত পৰামৰ্শদাতা নোহোৱা নহয়, ভালেমানেই আছে; কিন্তু তেওঁলোকৰ পা-পৰামৰ্শ এনে অৱস্থাত যথেষ্ট সুফলদায়ী নহ'ব বুলি ৰাণীয়ে ভাবিছে। আৰু—এই বিষয়ত ভাবি ভাবি হঠাৎ তেওঁৰ মনত পৰিল—পুণ্যধাম পুৰীৰ চন্দন হুজুৰীলৈ।

প্ৰাচীন পুণ্যধাম পুৰীত চন্দন হুজুৰী নামৰ এজন যুৱক আছিল। লক্ষ্মীবাঈ যেতিয়া পাঁচ বছৰীয়া মাথোন, তেতিয়া তেওঁ তেওঁৰ মাতৃ-পিতৃৰ সৈতে পুণ্যক্ষেত্ৰ পুৰীধামলৈ গৈছিল। তেতিয়া দিনত জগন্নাথ-দৰ্শনাভিলাষীসকলে মন্দিৰৰ যাত্ৰী-নিবাসত থাকিছিল। এই যাত্ৰী-নিবাসৰ চোৱা-চিতাঁ কৰোঁতাৰ পুত্ৰ আছিল চন্দন, যিজনে তেওঁলোকৰ সুখ-সুবিধালৈ লক্ষ্য ৰাখিছিল। চন্দনে লক্ষ্মীবাঈৰ প্ৰতি আপোন ভনীয়েকৰ দৰে আচৰণ কৰিছিল, আৰু লক্ষ্মীবাঈৰ মাতৃ-পিতৃয়েও চন্দনক আপোন পুত্ৰৱৎ জ্ঞান কৰিছিল। তেওঁলোকৰ অভিপ্ৰায় মতেই এক শুভ মুহূৰ্তত জগন্নাথদেৱৰ প্ৰসাদ চন্দনে লক্ষ্মীবাঈক দিছিল, আৰু লক্ষ্মীবাঈয়ে চন্দনক নমস্কাৰ কৰি কৈছিল, "বড়া ভাই।"

"বৰ ভাল পালোঁ, ভনীটি। আগলৈ—মই যে তোমাৰ বড়া ভাই—কথাটো মনত ৰাখিবা, পাহৰি নাযাবা। তোমাৰ সুখে-দুখে মোক সুঁৱৰিবা।" চন্দনে সেই সৰুজনী লক্ষ্মীবাঈক কৈছিল।

এই ঘটনাৰ কেইবছৰমানৰ পাছত যেতিয়া লক্ষ্মীবাঈজী মহাৰাণী হ'ল, সেই সম্বাদ পাই চন্দনৰ আনন্দই পাৰ-কূল নোহোৱা হৈছিল।

তেতিয়া চন্দনৰ বিয়া পতা হৈছিল। এই আনন্দ-বাতৰি পাই—ভনীয়েক লক্ষ্মীবাঈয়ে চন্দনৰ বিবাহ উপলক্ষ্যে প্ৰচুৰ পৰিমাণে উপঢৌকন প্ৰেৰণ কৰিলে।

কিন্তু বিয়া কৰোৱাৰ পাছদিনাই পত্নীক এৰি অতা লক্ষ্মীবাঈয়ে কিঞ্চিত বিব্ৰত বোধ কৰিলে আৰু বড়া ভাইক কথাটো সোধাত বড়া ভাই চন্দনে ক'লে, "ভনীটি যেতিয়া

বিপাঙত, মইনো কেনেকৈ থাকোঁ ৰঙত ?"

এই বুলি কৈ, বড়া ভাই চন্দন হুজুৰী ৰাণী লক্ষ্মীবাঈলৈ চাই ৰ'ল। আৰু চন্দনে মিচিক-মাচাককৈ হাঁহি থাকিল।

ৰাণী লক্ষ্মীবাঈয়ে বড়া ভাইৰ কথাৰ উত্তৰ পট্‌কৈ দিব নোৱৰাত বড়া ভায়েই পুনৰ কৈ উঠিলঃ

"এতিয়া কোৱাঁ, ভনীটি মোৰ, যদি এই শক্তিমন্ত ইংৰাজহঁতৰ বিৰুদ্ধে যুঁজ দিব লাগে, তেনেহ'লে আন আন ৰাজ্যৰ ৰজাসকলে তোমাক সহায় কৰিবনে ?"

"কিছুমান ৰজাই খোলাখুলিকৈয়েই সহায় কৰাৰ কথা ঘোষণা কৰিলে। কিন্তু, কিছুমান ৰজা এই বিষয়ত মনে মনে আছে, যদিও মোৰ বিশ্বাস—প্ৰকৃততে যুদ্ধ যদি লাগি পৰেই—এওঁলোকেও মোক সহায় কৰিবলৈ আগুৱাই আহিব, কোনেও হাত-সাৱটি বহি নাথাকিব।"

"কিন্তু—তথাপি—ঘটনা বিপৰীতো ঘটিব পাৰে—যি-ঘটনাৰ কল্পনাও আমি কৰিব পৰা নাই—তেনেকুৱা অভাৱিত ঘটনা ঘটাটোও অসম্ভৱ নহয়। কালি ৰাতি যিখন চৰাইখানাত মই খপিছিলোঁ, তাত দুজন যাত্ৰীৰ মাজত হোৱা যি কথা-বতৰা শুনিছিলোঁ—বৰ আশাব্যঞ্জক নহয়। এজন যাত্ৰী আছিল গোৱালিয়ৰ ৰাজ্যৰ, আনজন টেহ্‌ৰিৰ। এই ৰাজ্য দুখনৰ ৰজাদ্বয়েও তোমাৰ হৈ মাত মাতিবনে ?"

বড়া ভাই চন্দনৰ উত্তৰ শুনি ৰাণী

লক্ষ্মীবাঈ যেনিবা বিস্ময়ত হতবাক হৈ পৰিল।

"বড়াভাই, তেওঁলোক মোৰ পক্ষীয় হয়নে নহয় ক'ব নোৱৰোঁ।" লক্ষ্মীবাঈয়ে ক'লে।

"সেই যাত্ৰী দুজনৰ কথা যি শুনিলোঁ—এই দুগৰাকী ৰজা—ইংৰাজৰ ফলীয়া।" চন্দন হুজুৰীয়ে ক'লে।

"হয়নে—!"

ৰাণীয়ে বিস্ময় মানিলে।

"মই শুনাখিনি সঁচা নহওক—মোৰো এয়ে আশা। তথাপি, কিছুমান ৰজা—বিশেষকৈ তোমাৰ মিত্ৰৰজাহঁতৰ মাজত কিছুমান যদি শত্ৰুৰ ফলীয়া হয়—পৰিণাম বৰ ভয়ানক হ'ব বুলি মোৰ ধাৰণা। তুমি নানা ছাহিবৰপৰা অৱশ্যেই সহায়তা লভিবা। আৰু

তোমালোক উভয়ে মিলিতভাৱে কোম্পানিৰ সন্মুখীন হ'ব পাৰিবা।"

চন্দন ৰ'ল।

আৰু—মুহূৰ্তমান বোৱাৰ অন্তত চন্দনে পুনৰ ক'লে, "যিয়েই নহওক—বড়া ভাইৰ এই ইচ্ছাক উপেক্ষা নকৰা, ভনীটি —।"

চন্দনে পুনৰ ৰৈ দিলে।

"কোৱাঁ, ককাইদেউ, তোমাৰ ইচ্ছা কি ?"

ৰাণীয়ে সুধিলে।

"মোক সদায় তোমাৰ কাষত থকাৰ অনুমতি লাগে। মই তোমাৰ ওপৰত অহা যেই কোনো আপদ-বিপদক ভেটিম। মোক নামাৰি কোনেও তোমাৰ কোনো অনিষ্ট কৰিব নোৱাৰিব।"

"বড়া ভাই—"

ৰাণী লক্ষ্মীবাঈয়ে আবেগকম্পিত কণ্ঠেৰে কৈ থাকিল, "মোৰ নিৰাপত্তাৰ বাবে ইমানকৈ চিন্তা নকৰিবা। মই আত্মৰক্ষাৰ কাৰণে নহয়, আমাৰ প্ৰজাবৰ্গক ৰক্ষাৰ কাৰণেহে জীয়াই আছোঁ। আৰু—এক মহৎ কাৰ্য্যৰ কাৰণে যি মৃত্যু আগবাঢ়ি আহে তেনেহেন মৃত্যুলৈ মই সদায়েই আদৰণি জনাওঁ।"

"ভনীটি মোৰ, ঝান্সীৰ প্ৰজাবৰ্গও সাহসী, আৰু ধৈৰ্য্যৱান, তেওঁলোকে দেশৰ স্বাধীনতাৰ বাবে আপোন প্ৰাণ হেলাৰঙে উছৰ্গিবলৈ সাজু—সেই কথা মই জানো। কিন্তু তথাপি—তথাপি তোমৰ নিৰাপত্তাক নিশ্ছিদ্ৰ কৰাটোও—"

চন্দনক হাত দাঙি ৰখাই ৰাণী লক্ষ্মীবাঈয়ে কৈ উঠিলঃ

"বড়া ভাই—মোক কেৱল তোমাৰ হিয়াভৰা আশীৰ্বাদহে লাগে। তুমি সদ্য বিবাহিত। তোমাৰ ধৰ্মপত্নীক অৱহেলা নকৰিলেহে মই ভাল পাম।"

"মোৰ আশীৰ্বাদ সাদায়েই তোমাৰ লগতে আছে। আৰু — মোৰ আশীৰ্বাদৰ দৰেই—ময়ো তোমাৰ লগতে নিৰন্তৰ থাকিবলৈ বিচাৰোঁ।" চন্দন হুজুৰীয়ে দৃঢ় কণ্ঠেৰে ক'লে।

ৰাণী লক্ষ্মীবাঈ নিৰ্বাক হৈ থাকিল।



থাকিলেও শূইন–দেখিলেও পূইণ

ভুবনপুৰ গাঁৱত বাঞ্চাৰাম নামৰ এজন সাধাৰণ বেপাৰী আছিল। আশাধাৰী যেতিয়া বিছ বছৰীয়া, তেতিয়া এক নৌকা দুৰ্ঘটনাত তাৰ পিতৃ-মাতৃৰ মৃত্যু হ'ল। এই ঘটনাৰ পাছত আশাধাৰীৰ জীৱন নিৰাশাময় তথা আমনিলগা হৈ উঠিল। কিছুমানে বাঞ্চাৰামক বিয়া কৰাবলৈ পৰামৰ্শ দিলে, বিয়া কৰালে হেনো হিয়া জুৰ পৰিব, আৰু জীৱন হৈ উঠিব আনন্দময়।

"মই অতি সৰু এক বেপাৰী। মোৰ জীৱনত কোনো বিশেষ পৰিৱৰ্তনৰ সম্ভাৱনা মই দেখা নাই। এনে পৰিস্থিতিত যদি বিয়া কৰাওঁ, সেই বিয়া হ'ব এক গধুৰ বোজাস্বৰূপ। জনমিলে মৰিব লাগিব, আৰু নমৰালৈকে বাধ্যত পৰি জীয়াই থাকিবও লাগিব। গতিকে—জীৱনত পৰিৱৰ্তনৰ আশাও নেদেখোঁ, পৰিৱৰ্তন মোক নালাগেও।" বাঞ্চাৰামে যেনিবা নিজক কোৱাদিয়েই ক'লে।

"অদৃষ্টৰ আখৰ কোনেও মচিব নোৱাৰে। পৰিৱৰ্তন নালাগে—বুলিলেই পৰিৱৰ্তন নোহাৱাকৈ থাকিবনে? পৰিৱৰ্তন তোমাৰ অনুমতি লৈহে আহিবনে? ইমান কম বয়সতে ইমান বিৰক্তি ভাল নহয়।" আত্মীয় এজনে বাঞ্চাৰামক বুজাই বুজনি দিবলৈ চেষ্টা দিলে। কিন্তু বন্ধাৰ হুলাবাবি বাঞ্চাৰামে আত্মীয়জনৰ ভাল কথাৰ উত্তৰত পোনেই কৈ দিলে যে বৰলাৰ ঘৰত শুকান ধাম বিচৰাত সি নাই—নাথাকে। ভাগ্যত যি লিখা আছে হওক। তাৰ বাবে সি ভালতো নাই, বেয়াতো নাই।

কিছুদিনৰ অন্তত ভুৱনপুৰলৈ আহিল এজন সিদ্ধপুৰুষ। তেওঁ ভূত-ভবিষ্যৎ-বৰ্তমানৰ বিষয়ে ক'ব পাৰে। এই সিদ্ধপুৰুষজনা—শিৱানন্দ হেনো ত্ৰিকালজ্ঞ। আৰু মানুহ-মুনিহ দলে দলে তেওঁৰ ওচৰলৈ ঢপলিয়াই আহিবলৈ ধৰিলে ভাগ্যৰ বাতৰি বিচাৰি।



এই ত্রিকালজ্ঞ সিদ্ধপুৰুষ শিৱানন্দৰ কাষ চাপিবলৈ বাঞ্ছাৰামকো তাৰ চিনাকি ভালেমানে ক'লে ; কিন্তু সিদ্ধপুৰুষ বা কোনো ত্রিকালজ্ঞলৈ বাঞ্ছাৰামৰ যে কোনো আকর্ষণ বা প্রয়োজন নাই সেই কথাটো বাঞ্ছাৰামে খৰাংখাচ কৈ দিলে।

আৰু এই কথা অহুকাণে-পহুকাণে শুনি—এদিন সেই সিদ্ধপুৰুষ শিৱানন্দ নিজেই বাঞ্ছাৰামৰ ওচৰলৈ আহিল।

বাঞ্ছাৰামে কিন্তু সিদ্ধপুৰষলৈ কোনো অনাদৰ-অসন্মান নেদেখুৱালে, যথোচিত আদৰ-সাদাৰেই কৰিলে। বাঞ্ছাৰামক ক'লে, "পুত্র, জীৱন হ'ল ভগৱান-প্রদত্ত বৰ দান। এই বৰপ্রাপ্ত মানৱে জীয়াই থকা দিনলৈকে আনন্দৰ মাজেদি অতিবাহিত কৰিব লাগে।"

"কাম, আহাৰ আৰু নিদ্রা—এয়ে হ'ল জীৱন। এনেহেন জীৱনৰ প্রতি মই বিৰক্ত-বিতৃষ্ণ। মই আনন্দময় জীৱন — কটাব পৰা নাই।" বাঞ্ছাৰামে সিদ্ধপুৰুষক ক'লে।

"তুমি বাৰু কেনেকুৱা জীৱনক আনন্দময় বুলি ভাবিব পাৰিবা?" সিদ্ধপুৰুষে কৌতূহল দমাব নোৱাৰি সুধিলে।

"হঠাৎ এদিন মই দহ লাখ টকাৰ সম্পত্তিৰ গৰাকী হ'ম, মোৰ পত্নী হ'ব ৰাজকুঁৱৰী, সকলোটিয়ে সদায় মোৰ প্রশংসা কৰিব—তেহে—তেনেকুৱা জীৱনক মই আনন্দময় জীৱন বুলি মানিম।" বাঞ্ছাৰামে বিবা দিলে।

সিদ্ধপুৰুষ শিৱানন্দই মিচিকীয়াই হাঁহিলে আৰু ক'লে, "প্রতিজন মানুহেই হ'ল নিজৰ জীৱনৰ অধিপতি, তেওঁৰ পত্নী — ৰাজকুঁৱৰীয়েই নহয়, মহাৰাণী হয়, আৰু দহলাখৰ গৰাকী নহয়, হয়গৈ কোটিপতি। আৰু—আনে নিন্দা নকৰে যদি—সেয়া হয় প্রশংসা। হয়নে নহয়—তুমিয়েই কোৱা। আৰু —তুমি যদি ভাবা যে তোমাৰ বোলা একো নাই, তোমাৰ ওচৰলৈ একোৱেই নাহিব।"

"হে মহাত্মা, এইবোৰ হ'ল বেদান্তৰ কথা, এইবোৰ বিষয় মইহেন সামান্যই কি বুজিম? যদি মোৰ ইচ্ছা পূৰাবৰ কোনো উপায় আছে—কওক। নহ'লে—মই যেনেকৈ আছোঁ, তেনেকৈ থাকিবলৈ দিয়ক।" বাঞ্ছাৰামে বিদাপতি গালে।

"তো—কোনোবাজনী সৌন্দর্য্যৱতীক বিয়া কৰোৱা। তোমাৰ পত্নী ৰাজকুঁৱৰী হ'ব, আৰু চবেবেই তোমাৰ প্রশংসাও গাব।"

সিদ্ধপুৰুষ শিৱানন্দই বাঞ্ছাৰামক যথাৱৎভাবে পোনাবৰ চেষ্টা দিলে।

শিৱানন্দৰ কথাত বাঞ্ছা বাছাই ভালেই পালে। তথাপি ক'লে, "যোগীবৰ, এইবোৰ কথাও বেদান্তৰ কথানে?"

শিৱানন্দই বাঞ্ছাৰামক আশ্বস্ত কৰাৰ ভংগীৰে ক'লে, 'মই যি-যা কৈছোঁ, সকলো ফলিব। কিন্তু এটা কথা। সকলো হোৱাৰ-পোৱাৰ পাছতো তোমাৰ জীৱনৰ সুঁতি পূৰ্বৱৎ চলি থাকিব, কোনো দেখ দেখ পৰিৱৰ্তন নহ'ব। আনন্দ-উৎসাহ-উলহ-মালহ ধন-সুখ শলাগ আদি কোনো প্ৰত্যক্ষ বস্তু নহয়, কেৱল বিশ্বাসৰ মাজতহে এইবোৰ অনুভূতি উপলব্ধ হয়। আৰু তাৰ বাবে লাগিব এক পৰিশুদ্ধ-পৱিত্ৰ মন।"

সিদ্ধপুৰুষৰ কথাখিনিয়ে বাঞ্ছাৰামৰ মনত দ'কৈ প্ৰভাৱ বিস্তাৰ কৰা হ'ল। সুন্দৰী যুৱতী কাঞ্চনক বিয়া কৰালে। কাঞ্চন কেৱল ৰূপৱতীয়েই নাছিল, গুণৱতীও। কাঞ্চনে জানিছিল—পতি-সেৱা কাক বোলে। যেইকোনো অৱস্থাতে পতিক যে পৰিতুষ্ট ৰাখিব লাগে—সেই কথা তাই সৰুৰেপৰাই জানিছিল।

কাঞ্চনৰ গুণ আৰু আছিল। তাইৰ কাহানিও কোনো ধৰণৰ আ-অলংকাৰ গহনাপাতি বিচাৰি পতিক পাতলিত পেলাবলৈ চেষ্টা-প্ৰচেষ্টাৰ কাষেদিও নগৈছিল। তাইৰ কথা আছিল যে—পেট পূৰাই খাই আছোঁ, ভাল ঘৰ এটাত থাকিব পাৰিছোঁ, আৰুনো কি লাগিছে? এয়ে দেখোন যথেষ্ট।



অজৰিপৰতে কাঞ্চনে সংগীত-চৰ্চা কৰে। তাইৰ গীত শুনি বাঞ্ছাৰামে ভালেই পায়। কাঞ্চনৰ সংগীত-জ্ঞান আছিল সহজ। ক্ৰমাগত তাই সংগীতৰ গভীৰলৈ সোমাই যাবলৈ ধৰিলে। আৰু এদিন নগৰৰ এক বিখ্যাত সংগীত প্ৰতিযোগিতাত ভাগ লৈ কাঞ্চনে প্ৰথম পুৰস্কাৰ লাভ কৰাৰ উপৰিও মানপত্ৰ পালে।

হঠাৎ এদিন জনা গ'ল যে—ভুৱনপুৰৰ উত্তৰ সীমাত হীৰাৰ খনি আৱিষ্কৃত হৈছে। আৰু লগে লগে দলে দলে হীৰাৰ বেপাৰী ঢলনি পানী অহাদি ভুৱনপুৰলৈ আহিবলৈ ধৰিলে। ভুৱনপুৰৰ মাটিৰ দাম আকাশলংঘা হৈ উঠিল, আৰু সেইহে ভুৱনাপুৰীয়াই মাটি বেচি ধনৰ গছৰে সৈতে গাঁৱৰ ভিঠা এৰি আন ঠাইলৈ গুচি যোৱা হ'ল। কিন্তু বাঞ্ছাৰাম ভুৱনপুৰতে থাকিল,



অধিক লোভত বগলী কণা নহ'ল। কিন্তু পাবতগজা হীৰাৰ কাৰবাৰীহঁতৰ মাজত বাঞ্ছাৰাম এক অতি সাধাৰণ বেপাৰী হৈ পৰিল।

বাঞ্ছাৰামে বিয়া কৰোৱাৰ পাঁচ বছৰ পাৰ হ'ল যেতিয়া, তেতিয়া এদিন ভাবি থাকিল : সিদ্ধপুৰুষে কোৱামতে দেখোন একোৱেই নহ'ল। মোৰ পত্নী ৰাজকুঁৱৰী নহ'ল, মই দহ-টকীয়া হ'লেও দহ-লাখীয়া নহ'লোঁ, মোক কোনেও প্ৰশংসা কৰা মোৰ কাণত নপৰিল। তেনেহ'লে — সাধুৰ কথা বেঙৰ মাথা নহ'লনে বাৰু ?

আৰু—বাঞ্ছাৰামে এইবোৰ-এনেবোৰ ভাবি থকাতেই সিদ্ধপুৰুষ শিৱানন্দ এদিন পুনৰ হঠাতেই বাঞ্ছাৰামৰ ঘৰলৈ আহিল।

সেই সময়ছোৱাত বাঞ্ছাৰামৰ আনৰ ল'ৰা এটিৰ সৈতে খেলি আছিল। সিদ্ধপুৰুষ শিৱানন্দই কৈ উঠিল, "বাঃ ! এতিয়াহে তোমাৰ মুখ-চকুত আনন্দময়তা ফুটি ওলাইছে। বিবাহৰ ফলত তোমাৰ জীৱনত পৰিৱৰ্তন হোৱা বুলি বোধ হৈছে।"

বাঞ্ছাৰামে শিৱানন্দক প্ৰণাম কৰিলে আৰু ক'লে, "হে যোগীবৰ, এইখিনি ক'ব পাৰোঁ যে — মোৰ জীৱনৰপৰা বিৰক্তিয়ে বিদায় লৈছে। কিন্তু আপুনি কোৱা মতে উল্লেখনীয় কোনো পৰিৱৰ্তন—নাই হোৱা।"

শিৱানন্দই হাঁহিৰে ক'লে, "মই যিবোৰ পৰিৱৰ্তনৰ কথা কৈছিলোঁ — সকলো পৰিৱৰ্তিত ৰূপতে দেখা পাইছোঁ দেখোন।"

"কিনো পৰিৱৰ্তন দেখা পাইছে আপুনি ?" বাঞ্ছাৰামে বেকেটা-বেকেটি কৰিলে, "পৰিৱৰ্তন — কিবা মোৰ অজানিতেই হৈ গ'লনে ?"

ঠিক তেতিয়াই চুবুৰীয়া বুঢ়ী এগৰাকীয়ে বাঞ্ছাৰামক ক'লেহি, "বোপা, তোমাৰ নিচিনা সন্তানৰ মাতৃ-পিতৃও ধন্য। মোৰো পো এটি আছে—জানাই তুমি, পিছে কিনো লাভ। সি হ'লগৈ মদপী। আমাৰ থাকিলেও শূইন, তোমাক দেখিলেও পুইণ !" এই বুলি কৈ বুঢ়ীগৰাকী গুচি গ'ল।

তেতিয়া শিৱানন্দই মিঠাকৈ হাঁহিৰে বাঞ্ছাৰামক ক'লে, "শুনিলাই, নিজ কাণেৰেই শুনিলা — বৃদ্ধাই যে তোমাক পঞ্চমুখে প্ৰশংসা কৰিলে।"

বাঞ্ছাৰাম কিঞ্চিত ভেবা লাগিল।

তিমানতে কাঞ্চনে শিৱানন্দৰ কাৰণে তপত গাখীৰ লৈ আহিল। শিৱানন্দই গাখীৰৰ পাত্ৰটো হাতত ল'লে আৰু কাঞ্চনক ক'লে, "আইজনী, নগৰৰ সংগীত প্ৰতিযোগিতাত প্ৰথম স্থানৰ অধিকাৰিণী হৈ তুমি মানপত্ৰত কি উপাধি পাইছিলানো ?"

লাজ লাজকৈ তলমূৰ হৈ কাঞ্চনে ক'লে, "সংগীত-ৰাজকুঁৱৰী।"

"শুনিলানে ?" শিৱানন্দই বাঞ্ছাৰামক ক'লে, "তোমাৰ পত্নী ৰাজকুঁৱৰী নহ'লনে ?"

তথাপি বাঞ্ছাৰামে ক'লে, "কিন্তু—কিন্তু মই দহ-লাখীয়া নহ'লোঁ যে —? মোৰ সা-সম্পদৰ পৰিৱৰ্তন নহ'ল যে —?"

"যদি তোমাৰ ভেটি-মাটি বেচা—কিমান দাম পাবা—লোকক সুধিবাচোন ?" শিৱানন্দই ক'লে।

এইবাৰ বাঞ্ছাৰামৰ হুজ কিঞ্চিত লৰিল। বাঞ্ছাৰামে ক'লে, "ওঁ, হ'ব, দহ লাখতকৈ কিজানি—ঢেৰ অধিকেই হ'ব। কিন্তু এই গাঁৱৰ মাটিতে জনমি গাঁও এৰি ক'লৈকো যোৱাৰ সত মোৰ নাই।"

"তোমাৰ ভাগ্য বৰ ভাল, সেইহে তুমি মনে-খোজা পৰিৱৰ্তন হ'ল। তথাপি কিন্তু তোমাৰ জীৱন আগৰ দৰেই নিস্তৰংগ হৈ থাকিল। এই নিস্তৰংগতাৰ এক কাৰণ আছে—এয়ে যে—তোমাৰ মনোভাবৰ কোনো পৰিবৰ্তন হোৱা নাই। তোমাৰ মনোভাৱৰ পৰিবৰ্তন হ'লেহে—জগত ভালেই আপোন ভাল—দেখা পাবা। কোৱাঁ, এই বিষয়ে তোমাৰ মত কি ?" সিদ্ধপুৰুষ শিৱানন্দই সুধিলে।

এইবাৰ সিদ্ধপুৰুষৰ কথাত বাঞ্ছাৰামৰ জ্ঞানোদয় হ'ল। বাঞ্ছাৰামে সিদ্ধপুৰুষ শিৱানন্দক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে, "হে মহাত্মা, মোৰ জীৱন বাস্তৱিকতে গু-জীৱন আছিল, এতিয়া পৰিৱৰ্তিত হ'ল। মই জীৱনত কাল্পনিক পৰিৱৰ্তনৰ মৰীচিকাৰ পম খেদি মহা ভুল কৰিছিলোঁ, জীৱনক বিষাদগ্ৰস্ত কৰি তুলি জীৱনৰ অপমানহে কৰিছিলোঁ। এতিয়া, আপোনাৰ অপাৰ-অকৃপণ সহায়তাৰে জীৱনক জয় কৰি জীৱনৰ সেন্দূৰীয়া আলি দেখা পালোঁ।"

এই কথা শুনি সিদ্ধপুৰুষ শিৱানন্দ সন্তুষ্ট হৈ গুচি গ'ল।



ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৮ চনৰ জানুৱাৰি সংখ্যাত ওলাব

DHARM NATH PRASAD

DHARM NATH PRASAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব।
* ১৯৯৭ চনৰ নভেম্বাৰৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ ছেপটিমবাৰ সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : চান্দনী মৌ-বন

দ্বিতীয় ফোটো : ছান্দনী মৌ-মন

পাওঁতা : লোহিত বৰুৱা / জয়নগৰ / বাংগালোৰ / কৰ্নাটক

[এই মাহৰ শেষ ভাগত পুৰস্কাৰৰ ধন পঠোৱা হ'ব।]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES

CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., Chandamama Buildings, Chennai - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K. Salai, Vadapalani, Chennai - 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

**FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES**

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

**Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to:**

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI CHENNAI - 600 026

CHANDAMAMA (Assamese) November 1997 Regd. No. TN / MS (S) 87/97
RN 30278 / 76

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।



• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as